Year of publication 1951

# -উল্টা বজিলি ৰাম-

শ্ৰীধৰ্ম্মদাস চৌধাৰী।

A 528
14/53

# উল্টা বুজিলি ৰাম

DHSK COLLEGE
LIBRARY
Accession No A/528
Call No. 891.453 /CHO

লেখক—
শ্ৰীধৰ্মদাস চৌধাৰী।
নলবাৰী।

*A-528*

দাম— বাৰঅনা মাত্ৰ।

প্ৰকাশক—
শ্ৰীধৰ্ম্মদাস চৌধাৰী।
নলবাৰী।

প্ৰথম প্ৰকাশ
১৯৫১

(সকলো স্বত্ব লেখকৰ)

নলবাৰী গঙ্গা প্ৰেছত, ছপা হল।

# উছৰ্গা

স্বৰ্গীয়া বুঢ়ী আইৰ পবিত্ৰ নামত
অতি চেনেহৰ বৰ নাতিয়েকৰ
ভক্তিৰ চিন স্বৰূপে
অৰ্পিত হল।

—ধৰ্মদাস—

# পাতনি

"উল্টা বুজিলি ৰাম" আমাৰ সাহিত্য চৰ্চাৰ দ্বিতীয় প্ৰয়াস। ইয়াত এটি গ্ৰাম্যচিত্ৰ আঁকিবলৈ যত্ন কৰা হৈছে। গ্ৰাম্যচিত্ৰৰ যোগেদি অসমৰ গাৱঁলীয়া অসমীয়া সাহিত্যৰ পঢ়ুৱৈৰ সংখ্যা বঢ়াব পাৰি বুলি আমি ভাবোঁ। এই উদ্দেশ্যকে লৈ আমাৰ অপৈণত লেখনীৰে এই কামত আগ বাঢ়িছোঁ। ৰাইজৰ সহায় সহানুভূতি পালে এই প্ৰচেষ্টা চলাই থাকিব পাৰিম বুলি আমাৰ বিশ্বাস। ছপাৰ দোষত কিতপখনত বিশেষকৈ আদি খণ্ডত কেবাটাও বানান ভুল হৈ গল। দুই চাৰিটা যতিচিনৰ ভুলো নোহোৱা নহয়। এই অনিচ্ছাকৃত ত্ৰুটিৰ বাবে সুধী পাঠক সমাজৰপৰা মাৰ্জ্জনা বিচাৰিছোঁ। আমাৰ আৰ্থিক দৈন্যতাৰ বাবে সহপাঠী বন্ধু মুনীন চৌধুৰী আৰু পবিত্ৰ দাসে অলপ অচৰপ আৰ্থিক সাহায্য কৰিছে। বন্ধু কালীন্দ্ৰ কলিতা আৰু গোপী কান্ত গোস্বামীৰ সহায়ৰ কথাও আমি পাহৰিব নোৱাৰোঁ। আটাই কেইজনকে আন্তৰিক ধন্যবাদ জনাইছোঁ। লগতে ভৱিষ্যতেও তেনে সহায় সহানুভূতিৰ পৰা বঞ্চিত নহম বুলি আশা ৰাখিছোঁ। ইতি—

বিনীত—

শ্ৰীধৰ্মদাস চৌধাৰী

নলবাৰী ( পুণ্যাশ্ৰম )

১৭।৮।৫১

# উল্টা বুজিলি ৰাম

—এক—

কলেজৰ পৰা আহি পীতাম্বৰে কি ভাবি চকু পানী মচিছিল লগৰ লৰা কোনেও গম নাপালে। সিহঁত এজন এজনকৈ ওলাই গল। পীতাম্বৰে নিবলে বহি ভাবিবলৈ ধৰিলে; সি ভাবত বিভোৰ। বাহিৰ্জ্জগতৰ লগত সেই সময়ত তাৰ যেন কোনো সম্বন্ধ নাই! বাহিৰৰপৰাই ভূমিধৰ চৌধুৰীয়ে তাক কেবাবাৰো মাতি কোনো উত্তৰ নাপালে। দূৰৰ পৰা দুৱাৰ খোলাই থকা দেখি চৌধুৰী আহি দুৱাৰ মুখত থিয় দিলে। পীতাম্বৰে কব নোৱাৰিলে। ভূমিধৰে তাৰ বেহৰূপ চাই মাচাকমিছিক হৈ হাঁহিলে! হঠাতে পীতাম্বৰৰ তাৰ ওপৰত চকু পৰিল! সি তাক ভিতৰলৈ মাতি নি আৰামী চকিখন পাৰি দিলে। ভূমিধৰ বহিল। সি কলে,

"শৰ্ম্মা! তুমি কি ভাবি আছিলা!"

"ভাবিছিলোঁ আৰু ভাবিছোঁ ......"

"কিনো ভাবিছা'

"ভাবিছোঁ সংসাৰখনৰ কথা, মানুহ বিলাকৰ কথা, ডেকা বিলাকৰ কথা আৰু বহুতো!"

"তুমি দেখোন ডাঙৰ দাৰ্শনিক হৈ পৰিলা! দৰ্শনখন এতিয়ালৈ এৰা! ফুৰি আহোঁ বলা এবাৰ।"

"কি ফুৰিবা ভাই। মনটো বৰ বেয়া লাগিছে!"

"কিয়? ক'ৰবাত নিৰাশ হলা নেকি? নে মনৰ মাজত কাৰবাৰ ......।"

"তুমি আৰু ঠাট্টাহে কৰা।"

"বেয়া পোৱা যদি নকৰোঁ বাৰু! কোৱা তোমাৰ দৰ্শনৰ কথাকে! "

"বুজিছানে ভাই! মই বৰ বিপদত পৰিছোঁ। পিতাৰ কাণ্ডকাৰখানা দেখি মোৰ মন ভাগি গৈছে। মোৰ উপায় নোহোৱা হৈছে।"

"পিতাৰে কি কৰিলে? তোমাক বিয়া কৰাই নিদিয়ে নেকি?"

"তুমি দেখিছোঁ ঠাট্টা কৰিবলৈ নেৰা!"

"আচল কথা নোকোৱা কেলেই?"

"এক কথাত কবলৈ হলে পিতাই নতুন সংসাৰ পাতিবলৈ গুনাগঠা কৰিছে! তাৰ মানে বিয়া কৰিবলৈ হাবিয়াস কৰিছে!"

"হাঃ হাঃ! কি সুখৰ কথা! কি আনন্দৰ কথা। তোমাৰ পিতাৰে বিয়া কৰিব, অথচ তুমি তাৰ বাবে দুখ কৰিছা! দুখ কৰি লাভ নাই। তামাচা কৰা বন্ধু! নতুন মাহী মায়েৰা আহিব! ঘৰখন নতুন হব! সকলো নতুন দেখিবা, নতুনৰ মাজেদি তুমিও নতুন হৈ পৰিবা; দুখ কৰিব লগীয়া তাত একোৱে নাই।

"তামাচা পিছতো কৰিম। এতিয়া কোৱা মই কি কৰোঁ সৰু

ছোৱালী এজনীৰ জীৱন এটা মই অথলে যাব দিব নোৱাৰিম। তুমি জানা বামুণৰ ছোৱালীৰ কথা: বামুণ-সমাজত বিধবা বিবাহৰ স্থান নাই! গোটেই সমাজখনতে আজি বহুত কু সংস্কাৰ সোমাই পৰিছে! এই বিলাক দূৰ কৰি নতুন সমাজ এখন গঢ়ি তুলিব লাগিব। কু-সংস্কাৰ দূৰ কৰিবৰ কাৰণে মই সকলো কৰিবলৈ সাজু! সেইবাবে মোৰ পিতা হলেও তেওঁ বুঢ়া বয়সত কৰিব খোজা বিয়াৰ মই ঘোৰ প্ৰতিবাদ কৰিম!" পীতাম্বৰৰ মুখত খঙৰ ভাব ফুটি উঠে।

"তোমাৰ মাহী মায়েৰা জনী আছে জানোঁ?"

"আছে"

"ভেনেহলে আকৌ বিয়াৰ মন কিয়?"

"তাকেইতো ভাবিছোঁ।"

হিন্দু সমাজত আজিও বহুত বেয়া দস্তুৰ সোমাই আছে। এই বিলাকৰ কাৰণেই কত হিন্দুই যে ধৰ্ম্মান্তৰ গ্ৰহণ কৰিলে তাৰ লেখ দিয়া টান। আজিৰ যুগৰ আহ্বান— এই কু সংস্কাৰ বিলাকৰ কিছুমান দূৰ কৰিব লাগে—কিছুমান সংশোধন কৰিব লাগে। বামুণৰ বাহিৰে অইন কিছুমানৰ মাজত বিধবা-বিবাহৰ প্ৰচলন হোৱাৰ পৰ বহুত লাভ হৈছে। কিন্তু বামুণ সমাজত দেখোঁ কি? ৫০।৬০ বছৰীয়া বুঢ়াইও বাৰ-তেৰ বছৰীয়া ছোৱালী বিয়া কৰাই দাম্পত্য জীৱন আৰম্ভ কৰে! সেই ছোৱালী বিলাকৰ বৈবাহিক জীৱনৰ কথা এবাৰ ভাৱ চালে মোৰ সিহঁতৰ প্ৰতি সহানুভূতি জাগে। ইচ্ছা হয়,

পুৰণি সমাজ ব্যৱস্থা ভাঙি দি তাক সংশোধন কৰি গঢ়িম এখনি নতুন সমাজ, মানবতাই হব যাৰ ভিত্তি। বাৰু শৰ্মা তোমাৰ পিতাৰাৰ বয়স কিমান ?"

" বয়স—প্ৰায় দুকুৰি পোন্ধৰ। তাৰ কম নহয়।"

"মাহী মায়েৰা জনাৰ বয়স কিমান ?"

"তেওঁৰ বৰ যেটি ওঠৰ।"

"তেওঁ তোমাৰ পিতাৰাক কেনে ব্যৱহাৰ কৰে ?"

ব্যৱহাৰ ভালেই কৰে, পিতাৰ প্ৰতি যথেষ্ট শ্ৰদ্ধাও আছে ; তথাপি কিয় এনে মন কৰ নোৱাৰো।"

নতুকৈ" বিয়া কৰাই তেওঁ সেইজনীক কি কৰিব ?"

'এতিয়ালৈ নাজানো। বোধহয় ৰাখিব।

"তেওঁৰ ফালৰ পৰা কিবা সন্তি-সন্ততি হৈছে নে নাই !"

"শান্তি-বিয়া হোৱাৰ দুবছৰ পিছতে এজনী ছোৱালী ওপজি য়েই মৰিল। তাৰ পৰা আৰু নাই !"

"বাৰু, কন্যাৰ বন্দোবস্ত কৰিছে নেকি ?"

এতিয়ালৈ কৰা নাই কিন্তু কৰিব। টকা দিলে কন্যাৰ আকাল নাই ! বামুণৰ ছোৱালীতো ! কিমান দুখীয়া বামুণে ছোৱালীক লৈ সংসাৰ খন বিষময় দেখে ! সকতে ছোৱালী বিয়া দিব নোৱাৰি সিহঁতে সংসাৰখনক কেৱল নিৰাশাহে দেখে নিজকে হতভগা বুলি ভাবে। ভুক্তভোগী মাত্ৰেই বুজে। গতিকে ছোৱালী অতি সহজে পাব। মাত্ৰ কেই শ মান টকাৰ খৰচ ! টকা হলেই আজিৰ যুগত সকলো হয়।

পাপ-পুণ্য, ধৰ্ম-অধৰ্ম সকলোৰে মাপকাঠি কেৱল টকা আজিৰ যুগত টকাই স্বৰ্গ, টকাই ধৰ্ম, টকাই পৰম তপ। ই কেৱল মতাক মাইকী আৰু মাইকীক মতা সাজিব নোৱাৰে "কন্যা বিচাৰিবলৈ দিয়া। সকলো পিছত হব।"

"মানে ?"

"বিয়া শেষ মুহূৰ্ত্তত বন্ধ কৰিবই লাগিব। কথা হৈছে—এই ধৰণৰ মানুহ বিলাকক আদৰ্শৰ কাৰণে এনে একোটা দাগ বহুৱাই দিব লাগে যাক জীৱনত মচিব নোৱাৰে। এই দাগ বহুৱাৰ কাৰণে তুমি হয়তো বহুতো কষ্ট স্বীকাৰ কৰিব লাগিব। নিৰপেক্ষ হিচাবে আগবাঢ়িব লাগিব। যদি পাৰা তেনে হলে বিয়া বন্ধ হৈ যাব। পাৰিবাতো ? "

"নোৱাৰিম কেলেই ? পিতাৰ অপমানক মই নিজৰ বুলি নাভাবো। মই নিজৰ ভিতৰত নিজক বিচাৰি চাই যি পাওঁ তাৰ আদেশক মই উলাই কৰিব নোৱাৰো। মই যাক ঘিণ কৰো যাৰ নাম শুনিলে মোৰ মন বিদ্ৰোহী হৈ উঠিব খোজে তাকেই মোৰ পিতাই কৰিবলৈ আগ বাঢ়িছে। মই এই কাৰ্য্য বন্ধ কৰিমেই। তাৰ বাবে মোক লাগে তোমাৰ সহায়; তুমি মোৰ কথা, মোৰ ঘৰৰ কথা সকলো জানা। সেই বাবেই তোমাক মনৰ কথা ভাঙি কলোঁ। আশা কৰো তুমি মোক নেৰিবা।

"সমাজৰ কেৰোণ বিচাৰি চাই তাক আলুই-পোখাই উভালি সমাজক প্ৰগতি-পথত আগবঢ়াই দিয়াৰ দায়িত্ব আমাৰ ওপৰত বহু পৰিমানে পৰিছে। এই দায়িত্ব বহন কৰিবলৈ মই সাজু

াসাৰ কাৰ্য্যৰ বাবে আমি এক শ্ৰেণী মানুহৰ পৰা সদায় গৰিহণা পাব লাগিব ; কিন্তু তাক আমি আমাৰ মনত আশীৰ্ব্বাদ বুলি ধৰি লম। মোৰ দৃঢ় বিশ্বাস—আত্মবল থাকিলে সকলো সহজ হৈ পৰে ; পথৰ কণ্টক দূৰতে বিদূৰ হয়। সেইবাবেই মতি–গতি ঠিক ৰাখি কামত আগবাঢ়িবলৈ মই কওঁ ! উলা-মূলাকৈ কোনো কামতে আগবাঢ়িব নালাগে। ”

“মোৰ প্ৰথম কাম কি হব চৌধুৰী !”

“তুমি পিতাৰাক নিজেই কৰা-বিয়া নকৰিবলৈ। শেষ ফল কেনে হব পাৰে তাকো কবা ! মই জানোঁ তেওঁ নুশুনিব তথাপি কবা ! তাৰ পিছৰ কথা সময়ে কৈ দিব ! এতিয়াই ভাবিব নালাগে।”

“বাৰু তাকেই কৰিম !”

“এতিয়া যাওঁ দে ”

“ৰবা ময়ো যাওঁ !”

দুয়ো ওলাই যায়। ভূমিধৰ চৌধুৰী পীতাম্বৰৰ নলেগলে লগা বন্ধু ! দুয়ো একেশ্ৰেণীতে কলেজত পঢ়ে।

—— × ——



—দুই—

পীতাম্বৰ শৰ্ম্মাৰ পিতাক দিগম্বৰ শৰ্ম্মা। গাৱঁৰ ভিতৰত ধনী মানুহ। মাটি বাৰী ধন-সম্পত্তি বহুত। যাজনিক তেওঁৰ ব্যৱসায়। ঘৰত খেতি-বাতিৰো লেঠা আছে। চাকৰ দুই তিনি জন। সিহঁতে খেতি কৰে। দিগম্বৰ গাৱঁৰ ভিতৰত নাম থকা মানুহ। মান-সন্মান, ধন-সম্পত্তি, পুত্ৰ-পৰিবাৰ সকলো তেওঁৰ বৰ্ত্তমান। শাস্ত্ৰজ্ঞ অধ্যাপক হিচাবে সমাজৰ আগ শাৰীত তেওঁৰ স্থান! ধনী বুলি দুখীয়াই দূৰৰ পৰাই কৰ যোৰ কৰে। কুল পুৰোহিত, গুৰু বুলি যজমানে সেৱা কৰে। পুতেক পীতাম্বৰ কলেজীয়া ডেকা দুই জনী জীয়েকক বিয়া দিছে—এজনী ঘৰত আছে। ধৰ্ম আৰু কৰ্ম উভয়তেই দিগম্বৰৰ নিজৰ বুলিবৰ আছে।

দিগম্বৰৰ বয়স ৫০ বছৰ। মানুহ জন চুটি চাপৰ। মূৰত টিকনিগোট। গাত চাদৰ। গাৱঁত তেওঁক "বটুদেউ" বুলিয়ে জনা যায়। মানুহ জন চাপৰ কাৰণে বোধহয় কোনোবা খুহুতীয়া মানুহে তেওঁক এনে নাম দিছে! যিহওক দিগম্বৰ শৰ্ম্মাই "বটুদেউ" বুলি মাতিলেওঁ বেয়া নাপায়। আমি তেওঁক "বটুদেউ' নোবোলোঁ।। আঢল নামেৰে আমাৰ কথা প্ৰকাশ কৰিম!

দিগম্বৰৰ মনত সুখ। সাংসাৰিক মানুহ হিচাবে যি খিনি দৰ্কাৰ সেই খিনি তেওঁৰ আছে! কিন্তু যেতিয়া তেওঁ তেওঁৰ

পৰিবাৰ অনিমাৰ কথা ভাৱে তেওঁৰ সুখ কেনিবা যায়। অনিমাৰ লগত তেওঁৰ শান্তি বিয়া হবৰ আজি পাঁচ বছৰ হল—তাইৰ এটি ছোৱালী জন্ম হবৰ দিনাই মৰিল ; আজি তিনিবছৰ হল, তথাপি তাই পুনৰ সন্তানৰ মুখ নেদেখিলে; লৰাৰ মুখ তাই নেদেখিলে ; দেখিবৰো আগন্তুক হোৱা নাই। এই বাবেই দিগম্বৰৰ বেজাৰ। তেওঁ ভাবে তেওঁৰ সম্পত্তি খায় কোনে ? একেটি লৰা পীতাম্বৰ, সিও পঢ়িছে—কলেজত; চাকৰীতো কৰিবই। ঘৰ খন চলাব কোনে ? যাজনিক কৰিব কোনে ? তেওঁৰ অবিহনে সম্পত্তি খিনি চলাব কোনে ? এই বিলাক ভাবি গুণি তেওঁ আৰু এজনী বিয়া কৰোৱাকে ঠিক কৰিলে ! ভাবিলে-তেওঁৰ টকা আছে—গতিকে ছোৱালীও তেওঁৰ কাৰণে ওলাব। টকা খৰচ কৰিব পাৰিলেই হল। তাতে আকৌ জাতিত বামুণ। অন্যৰ থাকিলেও ধনী বামুণৰ ছোৱালীৰ আকাল নাই। সহজতে ছোৱালী ওলাই পৰিব। বামুণৰ ছোৱালী পোৱাত সিমান পলম নালাগে। ধনীৰ ঘৰত নাপালেও দুখীয়াৰ ঘৰত অন্ততঃ পাব।

দিগম্বৰৰ বন্ধু ৰত্নমণি শৰ্ম্মা ! তেওঁ সৰ্বজান। কন্যা বিচৰাত তেওঁ পাৰ্গত। আগৰ বাৰো তেৱেঁই কন্যা বন্দোবস্ত কৰি দিয়ে। এই বেলিও দিগম্বৰক তাৰ ইঙ্গিত দিবলৈ পাহৰা নাই ; কিমান বৰক যে তেওঁ কন্যা বিচাৰি দিলে তাৰ লেখ দিয়া টান। কন্যা বিচাৰি দিয়া তেওঁৰ এটা অভ্যাসেই ! ব্যৱসায় বুলি কলেও বেঁচ কোৱা নহয়।

দিগম্বৰ শৰ্ম্মাক তেওঁ ভাল পায়। টান মস্বিলে তেওঁৰ পৰা সহায় পায়! দিগম্বৰেও তেওক সহায় কৰিবলৈ কুণ্ঠিত নহয়। হবই বা কিয়? জীৱ মাত্ৰেই আশাধাৰী! মানুহৰ আশা আকাঙ্খা আনত কৈ বেচি। বন্ধু বান্ধৱে ইজনে সিজনৰ ওপৰত আশা ৰাখে! দিগম্বৰেও ৰত্নমণি শৰ্ম্মাৰ পৰা কিবা অলপ আশা কৰে! তেওঁৰ গুণ বৰ্খানি দিগম্বৰে ভাল পায় বন্ধু-বান্ধৱৰ লগত সাংসাৰিক আলোচনা হলে তেওঁ ৰত্নমণি শৰ্ম্মাৰ নাম ভুলতেও কবলৈ নাপাহৰে। "দুয়ো বন্ধু" ইজনে 'সিজনক' বান্ধ বুলিহে মাতে।

---

## —তিনি—

দিগম্বৰ শৰ্ম্মাৰ বিয়া সজোৱাৰ সিদ্ধান্ত হৈ গল। এই খন তেওঁৰ ৩য় বিবাহ। এই উদ্দেশ্যে তেওঁ এহেজাৰ টকা আচুতীয়াকৈ ৰাখিলে; বিয়া হোৱা কথা যাতে পুতেকে নাজানে তাৰ বাবে তেওঁ সতৰ্ক হল। তেওঁ ভাবে বিয়াৰ নাম শুনিলে যদি পুতেক বিধি-পথালি কৰে তেনেহলে সকলো পণ্ড হৈ যাব! যি ডাঙৰ লৰা, সকলো বুজে। গতিকে আপত্তি সহজে কৰিব পাৰে। পিছ মুহুৰ্ত্তত ভাবে পুতে-কেনো আপত্তি কি কৰিব বাপেকৰ বিয়াত পুতেকে আপত্তি

কৰিবলৈ অন্ততঃ লাজ কৰিব। নানা ভাৱে তেওঁৰ মনলৈ আহে। সকলো বন্দোৱস্ত কৰাৰ পিছত পুতেকক এবাৰ কান চুৱাবলৈ সিদ্ধান্ত কৰে। তাৰ আগতে যাতে পুতেকে নাজানে তাৰ বাবে সতৰ্ক হল। বিয়াৰ কথা খুব গোপনে ৰাখিলে। ঘৈণীয়েক অনিমা আৰু 'বান্ধ' "সৰ্বজান শিৰোমণি" ৰত্নশৰ্ম্মাৰ বাহিৰে তেওঁ আনৰ আগতে তেনে কথা নুলিয়ালে। মানুহৰ শত্ৰু বহুত। মানুহেই মানুহৰ প্ৰধান শত্ৰু। শত্ৰুৱে গম পালে হয়তো দিগম্বৰ শৰ্ম্মাৰ বিয়াত গোলমাল সৃষ্টি হবও পাৰে। কিছুমান মানুহ আছে; সিহঁতে শত্ৰু বিলাকৰ বিয়া সবাহ আদিত কাজিয়া-পেচাল লগাই দি বং চায়; আৰু নিজকে শত্ৰুতাৰ পোটক তোলা বুলি গৌৰবাম্বিত বোধ কৰে। দিগম্বৰৰ মনতো এনে ভাব নাজাগি নোৱাৰিলে। তেওঁ প্ৰথমতে নিজৰ ঘৈণীয়েককো নকব বুলি ভাবিছিল। তিৰোতাৰ মন কিছু চঞ্চল! সকলো কথা ৰাখিব নোৱাৰে। নকওঁ বুলিও বহুতে কেতিয়াবা কথা-প্ৰসঙ্গত মনৰ কথা কৈ পেলায়। তেওঁৰ ঘৈণীয়েকে কথা ফাদিল কৰি দিব বুলি ভয় হৈছিল; তথাপি তেওঁ ঘৈণীয়েকক কবলৈ মন কৰিলে নকলেও উপায় নাই বিয়াৰ যোগাৰেই বা কৰিব কোনে?

× × ×

এদিন ৰাতি। খোৱা-লোৱা হোৱাৰ পিছত! ঘৰৰ বাকী

বিলাক শুই পৰিছে! পীতাম্বৰ সিদিনা ঘৰত নাই। দিগম্বৰৰ মনত উগুল-থুগুল ভাৱ। ঘৈণীয়েকক ওচৰলৈ মাতি আনিলে তাইক ওচৰত বহিব দিলে। কওঁ নকওঁ কৈ কলে,

“ঘৰত কাম-বন বৰকৈ বাঢ়ি গৈছে। মই দেখিছোঁ তুমি অকলে বৰ টান পাইছা। নাপাইছা জানো?

“পাইছোঁ! পালেও কৰিছোঁ। নকৰিলে হবনে? কিবা উপায় কৰিব খোজে নেকি? নে পীতাম্বৰ বোপাক বিয়া কৰাই দিব!”

“তাকেইতো ভাবিছোঁ। তোমাক দুখ দিবলৈ মোৰ মন নাই একেটা লৰা। ধন-সম্পত্তিনো কোনে খাব? যজমান কেই ঘৰকে চলাব কোনে? পীতাম্বৰে কলেজ পাচ কৰি আহি যাজনিক কৰিবনে?”

“নকৰেতো! কৰিব কিয়? কলেজ পাচ কৰা লৰাই চাকৰী কৰি সুখত খাবলৈ বাদ দি ঘৰে ঘৰে দোনা কাটি শ্ৰাদ্ধ কৰি নুফুৰে। তাৰোপৰি আজি কালিৰ যজমান বিলাক বৰ সিয়ান বামুণক দুই অনা পইচা দক্ষিণা দিবলৈ হলে বুকুৰ মঙহ উলিয়াই দিয়া যেন পায়! আগৰ দিন আজি আৰু নাই।”

“ঘৰ খনৰ বহুত চিন্তা মনলৈ আহে। বুজিছানে?”

“গৃহস্থী ধৰ্ম্মত থাকিলে চিন্তা কৰিবই লাগিব। নাভাবা নিচিন্তাকৈ উলামুলাকৈ কাম কৰিব পাৰিবনে?”

“তোমাৰ কথাইও মাজে মাজে মোক চিন্তাত পেলায়।”

“মইনো আকৌ কিখন কৰিলো। দিন-ৰাতি মই দেখোন

কামকে কাৰেঁ।--আপোনাৰ তাল ধৰোঁতেই মোৰ কিমান সময় যায় ? তাই আচৰিত হৈ সোধে।

"তুমি দুখ নকৰিবা। তোমাকো মই বেয়া বুলিব পাৰোঁনে ? তুমি যি কৰিছা ভালেই কৰিছা—কিন্তু......।"

"কওক, নকয় কিয় ? মই কি কৰিলোঁ।"

"শুনা। তোমাক আনিবৰ আজি পাচ বছৰ হল। তথাপি তুমি এটি লৰাৰ মুখ নেদেখিলা। যি এজনী ছোৱালী জন্মিল তায়ো মৰি গল।"

"কপালত থাকিলে কেতিয়াবা হব। সাধি আহিলে পাম। নাসাধিলে ক'ত পাম। কপালত নহলে বুক ধাকুৰি কান্দিলেও নাহে। ভাবিনো লাভ কি ?"

তুমি নাভাবা ; কিন্তু মইতো নাভাবি নোৱাৰোঁ। কিমান দিন বাট চাবা এবছৰ নহয়, পাচ বছৰ বাট চালোঁ।"

" তেনেহলে আপুনি কি কৰিব খোজে। দৰব খুৱাব খোজে-নেকি ! মই দৰব নাখাওঁ।"

" তোমাক মই দৰব খুৱাব খোজা নাই ! "

" তেনেহলে কি কৰিব খোজে ? "

" তুমি যদি বেয়া নোপোৱা মই এজনী... বিয়া কৰিব খোজোঁ।

" বিয়া ? বিয়া কৰিব ? এতিয়া ? এই বয়সত ? তাই আচৰিত হৈ উঠে !

" তুমি বয়সটোতহে লাগিছা। বয়সটো এৰাচোন। মোৰনো কি বয়সটো হৈছে। মাত্ৰ পচপন্ন বছৰ— দুকুৰি পোন্ধৰ

বছৰতে তুমি মানুহক বুঢ়া কৰিলানে ? ছকুৰি বছৰ মানুহৰ পৰমায়ু। মোৰ দেখোন তাৰ আধা হবলৈও পাচ বছৰ বাকী। আজি কালিৰ কলেজ পাচ কৰা ডেকাবিলাকৰ কথা তুমি নাজানা। সিহঁতে পঢ়ি পঢ় ভৰি হাত শুকাই দি ৪০।৪৫ বছৰ বয়সতে বিয়া কৰাই সংসাৰ কৰে। সিদিনা ভবনাথ নামৰ এজন বি-এ পাচ লোকে ৫০ বছৰ বয়সত ১৫ বছৰীয়া ছোৱালী এজনী বিয়া কৰালে। মোৰ তাতকৈ ৫ বছৰহে বেচি; আজি কালিৰ বছৰ ?" বুঢ়া গিৰীয়েকে ডেকেৰী তিৰোতাক নিজকে চেঙেলীয়া ডেকা দেখুৱাব খোজে। সেই বাবেই দিগম্বৰে ঘৈণীয়েকক বহুখিনি কৈ গল ! অনিমাৰ খঙ উঠিছিল, দিগম্বৰৰ বিয়াৰ প্ৰস্তাৱ শুনি তাই বঙাপৰি উঠিছিল। তাই উত্তৰ দিলে,

"আপুনি যি ভাল দেখে তাকে কৰক। মোৰ কবলৈ একো নাই ! মোক সুধিছে আপুনি কাম কৰিবনে ?",

"বেয়া পোৱা কিয় ? তুমি মোৰ সহধৰ্ম্মীনী। সুখ-দুখৰ সম-ভাগীনী। সেই বাবেহে সুধিছোঁ। বেয়া নাপাবা।"

"বেয়া পাবৰ নো আমি কোন ? আমি তিৰী মানুহ মহবাৰ তলৰ মহ। আমাৰ নিজৰ কিতো আছে ?"

"বেয়া নাপাবা। বুজিছানে ? পীতাম্বৰকো বিয়া কৰিবৰ হোৱা নাই। বিয়া কৰাই দি তাৰ জীৱনটো নষ্ট কৰিমনে ? পঢ়া লৰাক বিয়া কৰাই দিলে তাৰ আৰু পঢ়া নহব। তিৰোতাক ভাবোঁতেই তাৰ অধ্যয়ন ভিতৰ সোমাব।

চেঙেলীয়া লবা সি ভাবিবই। গতিকে সকলো ভাবি-চিন্তি চাই তোমাৰে দুখ মোচনৰ কাৰণে মই তেনেকৈ ভাবিছোঁ। বন্ধু বান্ধবেও মোক কৈছে!” নৱম সুৰত দিগম্বৰে ঘৈণীয়েকক বুজায়। তাই বিৰক্তি বোধ কৰে। কয়—

“যি ভাল বুলি ভাবে তাকে কৰক। মোৰ কবলগীয়া একো নাই।” তাই আমন জিমন কৰে। তলমূৰ কৰি কিবা ভাবে।

“ তুমি ভাবিছা কি ? নাভাবিবা। ভবিষ্যতৰ কথা ভাবিছা মই অজলা পুৰুষ নহওঁ। মই জীৱিত থাকোঁতে তোমাৰ কাৰণে সকলো বন্দোবস্ত কৰি থৈ যাম। ভয় কৰিছা যদি বিয়াৰ আগতে তোমাৰ নামে চাৰি পূৰা ভূঁই মাটি আৰু দুবিঘা বস্তী মাটি লিখি দিম ”। অনিমাই ভাবে। বহু খিনি ভাবে। তাই উত্তৰ দিয়ে—

“ তাকেই কৰক ! ”

“ তাকে আগৰ পৰা নোকোৱা কিয় ? আৰু যদি নিজৰ কাৰণে কিবা খোজা তাকো কোৱা। দিম বুলিছোঁ। যোৱা এতিয়া শুই থাকাগৈ। ”

অনিমা বিছনাত উঠিল। তাইৰ মনটো কেনেবা লাগিল। তাই বহুত ভাবিলে। তাই ভাবে তাইৰ গিৰীয়েকে নতুন সংসাৰ পাতিব ওলাইছে আৰু তাৰ বাবে তাইৰ নামত ভবিষ্যতৰ কাৰণে মাটিবাৰী লিখি দিব। এজনী ছোৱালী বিয়া কৰিবৰ কাৰণেই তাইক সেই খিনি লিখি দিব

ওলাইছে। বুঢ়া মানুহ এজনৰ নাৰীৰ প্ৰতি ওপজা মোহৰ কাৰণে তাই তনধ মানে। তাই ভাবে তাইৰ গিৰীয়েকে তাইকে সন্তুষ্ট কৰিব পৰা নাই। সৰু ছোৱালী এজনী বিয়া কৰাই আনি কি খন কৰিব? তাই ভাবিবলৈ টান পায়। তাইৰ নিজৰে মনটো কেতিয়াবা দিগম্বৰ শৰ্ম্মাৰপৰা আঁতৰি যাব খোজে। তাই চঞ্চল হৈ পৰে! তাই নিজেই কব নোৱাৰে কিহে তাইক তেনে কৰে! তথাপি তাই নিজকে সংযত কৰে! তাই সমাজৰ কথা ভাবে। মাক বাপেকৰ কথা ভাবে আৰু বহুতো ভাবে! তাই ভাবে, তাই বিবাহিত দিগম্বৰৰ ধৰ্ম্মপত্নী। অগ্নি দেৱতাক সাক্ষীকৰি দিগম্বৰে তাইক গ্ৰহণ কৰিছে। তেৱেঁই তাইৰ সুখ-দুখৰ ভাগীনী। তেওঁক অৱমাননা কৰা পাপ! তেনে কৰিলে তাই মাক বাপেকক অবমাননা কৰা হব! তাই তেনে কৰিব নোৱাৰে। তাইৰ মনে নকয়। স্বামীৰ প্ৰতি তাই ভক্তি অটুট ৰাখিব খোজে পিচমুহূৰ্ত্তত সেই ভাবৰ সলনি হৈ যায়। পুনৰ ভাবে, তাইৰ সতীয়া পো পীতাম্বৰ একুৰি চাৰি বছৰীয়া ডেকা! সি সহজে বিয়া কৰিব পাৰে। তাক বিয়া কৰাই দিলে কেনে সুখৰ কথা হয়! অথচ দিগম্বৰে জীৱনৰ ২য় অধ্যায় আৰম্ভ কৰোঁতে পুতেকৰ কথা পিঠি দি নিজে চেঙেলীয়া ডেকা হবলৈ মন কৰিছে! নতুন সংসাৰ এখন কল্পনা কৰিছে! একনী সৰু ছোৱালীক কেন্দ্ৰ কৰি তৈল তাইৰ মুখ গৰম হৈ যায়। টোপনি অহাকৈলৈ

যত্ন কৰে। টোপনি নাহে। বিছনাখনত ইকাটি-সিকাটি কৰি তাই আকৌ ভাবে। দিগম্বৰে তাইক সকলো দিম বুলিছে মাটি-বাৰী গহনা পাতি কাপোৰ কানি তাইক সকলো দিব! তাই ভাবে তাইৰ প্ৰাণেহো সেইবিলাক বিচৰা নাই! অলঙ্কাৰে তাইক তৃপ্তি দিব নোৱাৰে। তাই যুৱতী ছোৱালী যৌৱন সুলভ চিন্তা ভাৱনা তাইৰ মনলৈ আহে। দিগম্বৰক কেন্দ্ৰ কৰি তাই সুখৰ-সপোন ৰচিব টান পায়। ভবিষ্যৎ জীৱনৰ কথা তাই কল্পনা কৰিব নোৱাৰে। তাইৰ প্ৰাণে ভাবি সুখ নাপায়, কল্পনা কৰি সুখ নাপায়। দিগম্বৰৰ সান্নিধ্যই তাইক সন্তুষ্ট কৰিব নোৱাৰে। তাইৰ প্ৰাণে যি বিচাৰে দিগম্বৰে তাকে দিবলৈ অপাৰগ। ওৰে ৰাতি বিছনাৰ ওপৰত পৰি তাই তাকেই ভাবে। তাইৰ দু চকুৰেদি চকু-লো ওলাই আহে। টোপনি নাহে। নিৰাশাৰ কলা-ডাৱৰে তাইৰ অন্তৰাকাশ আগুৰি ধৰে। ভাব সাগৰত উটি-বুৰি তাই ঠাউনি নাপায়। আৰু দিগম্বৰ শৰ্ম্মা? তেওঁও ভাবে। মনত আশাৰ সঞ্চাৰ হয়। বৈণীয়েকৰপৰা সন্মতি পোৱা বুলি ভাবি আনন্দ পায়। তাইক সন্তুষ্ট কৰিব পৰা বুলি ভাবি নিজকে গৌৰবান্বিত অনুভব কৰে। সুখৰ সংসাৰ এখনৰ ৰঙীন সপোন ৰচি শুই থাকে। তেওঁৰো টোপনি নাহে! ভাবে, বৈণীয়েক সন্মত হল, পুতেকে বা আকৌ কি খন কৰে! তিৰোতাক দমন কৰা সহজ। মাতেৰে নোৱাৰিলেও হাতেৰে পাৰি। পুৰুষক দমন কৰা টান ৰ

টান। তেওঁৰ পুতেক শিক্ষিত ডেকা! তাতে আজি কালিৰ ডেকা! আজিৰ ডেকা নিৰ্ভীক। জানোচা তেওঁৰ প্ৰস্তাৱৰ বিৰোধিতা কৰে! পিছমুহূৰ্ত্তত আকৌ ভাৱে, পুতেকে বাপেকক বাধা দিবলৈ কোন? অন্ততঃ বিবাহ সম্বন্ধে বাধা দিব নোৱাৰে; দিলেও দাবী ধমকি দি হলেও শুনাব। দিগম্বৰে মন থিৰ কৰে; আকৌ ভাৱে, কন্যা পোৱা যায় ক'ত? বংশ ভাল লাগিব; ঘৰ খন ভাল লাগিব, সকলো ভাল লাগিব! ছোৱালী জনী তাতকৈও ভাল লাগিব। তাই হব লাগিব 'সৰ্ব্বগুণ'' বিভূসিতা টকা খৰচ কৰিব যেতিয়া ছোৱালী ভাল হবই লাগিব। উপায় সহজে ওলাই পৰে। "বান্ধ" ৰত্নমণি শৰ্ম্মা থাকোঁতে তেওঁ কন্যাৰ প্ৰতি ভাবিব নালাগে। মাত্ৰ তেওঁৰ কেইটামান টকা, কেই পিয়লামান চাহ আৰু কেই চিলিমমান মলা ধঁপাতৰ খৰচ! সহজেই বহন কৰিব পাৰিব। কন্যাৰ অলঙ্কাৰ? ঘৰতে আছে! সোণ ঘৰত বহুতো আছে। সুদত পাৰি ৰখা, বন্ধকৰ মিয়াদ উকলি যাওঁতে ৰখা, টানত পৰি কোনোৱে কম টকাতে বেচি যোৱা, বহুত সোণেই তেওঁৰ ঘৰত আছে! অন্য-বস্তুৰ কথা ভাবিবই নালাগে। কন্যা ঘৰত দিবলৈ আৰু নিজৰ ফালৰ খৰচৰ কাৰণে এহেজাৰ টকা বেলেগে থোৱা আছেই। তেওঁৰ সকলো আছে— কেৱল বাকি বিয়াটো! এই বিলাক ভাবি থাকোঁতে নিদ্ৰাদেবী কেতিয়া আহি তেওঁৰ গাত হাত বুলাই দিলে তেওঁ কব নোৱাৰিলে। স্বৰ্গীয় সুখত মগ্ন হৈ তেওঁ দীঘল দি পৰি থাকিল। নাকৰ

দুই বিন্ধাৰে মাজে মাজে দুই এটি ঘৰ্ ঘৰ্ শব্দ ওলাই কোঠাটোৰ নীৰৱতা ভেদ কৰি বিজয় ৰৱে যেন ঘোষণা কৰিলে, " দিগম্বৰৰ বিয়া, দিগম্বৰৰ বিয়া" !

## —চাৰি—

এদিন ৰাতি দিগম্বৰ শৰ্ম্মাই বত্ৰগণিক নিজ ঘৰলৈ মাতি আনিলে। দিগম্বৰৰ মনত নতুন উছাহ। মলা খপাত এচিলিম লগাই দুয়ো খালে। দুয়ো অকলে। আন কোনো তাত নাই।

" বান্ধ! ঘৈণীক সন্মত কৰিলোঁ। পীতাম্বৰকনো কি সুধিম বিয়াৰ বন্দোৱস্ত হলে তাক এবাৰ জনাম। সকলো যোগাৰ আছেই। সোণকালে লেঠাটো মাৰি দিওঁ; শুভকাম শীঘ্ৰে নকৰিলে অশুভ হৈ পৰে। তুমি কি কোৱা!"

" ময়ো তাকেই কওঁ।"

" বান্ধ! এইবাৰো তোমাৰ ওপৰত কন্যা চোৱাৰ ভাৰ দিলোঁ। নিজৰ বুলি বিচাৰি চোৱা এবাৰ! নোৱাৰিবা জানোঁ?"

" নোৱাৰিম কেলেই? বিচাৰিব নালাগেই। আমাৰ ভীম পুৰৰ কীৰ্ত্তিৰাম শৰ্ম্মাৰ এজনী, মাধৱপুৰৰ গোবিন্দ আচাৰ্য্যৰ এজনী, ৰামপুৰৰ হৰিবিষ্ণু ভট্টাচাৰ্য্যৰ এজনী, আমাৰ নিচেই ওচৰৰে শ্ৰীমান মুৰলিবোপাৰ এজনী আছে। এই কাটাই কেইজনীৰ বৰ বিচাৰি দিয়াৰ ভাৰ মোৰ ওপৰতে পৰিছে।

আটাই কেইঘৰ মানুহৰ ঘৰ কেইখন ভাল, বংশও ভাল। ভীমপুৰ অলপ দূৰ যদিও কীৰ্ত্তিৰাম বৰ ভাল মানুহ। ছোৱালী জনীও ভাল—বয়স বাৰ বছৰমান হৈছে! য'তে মন কৰা ত'তেই হব!"

"তুমি গোটেই কেই জনীকে দেখিছা জানোঁ?"

"দেখা কথা মোক সোধানে? গোটেই কেই ঘৰেই মোৰ ভাতঘৰ। ঠিকনা চাবলৈ যাওঁতে, লৰা ছোৱালীৰ নামাকৰণ কৰিবলৈ যাওঁতে, তেওঁবিলাকৰ ঘৰতে ৰাতি থাকোঁ। তেওঁ-লোকে মোক যে কিমান আদৰ কৰে! বাহিৰ ফুৰা মানুহ; বহুতৰে ঘৰৰ অৱস্থা জানোঁ। আমাৰ আগত কোনোৱে লুকাব নোৱাৰে।"

"তুমি এই চাৰি ঘৰৰ কোন ঘৰক পছন্দ কৰা?"

"ভীমপুৰীয়া কীৰ্ত্তিবোপাৰ ঘৰেই ভাল। মানুহজন দুখীয়া হলেও ভাল। ছোৱালী জনীও পাঠশালা স্কুলত পঢ়ে; পঢ়াতো ভাল। শান্তি কোৱা নাই। তথাপি তাইৰ তেজ কি চাবা! যেন পকা ডালিমটোহে।"

"মানুহ জন কিমান বয়সীয়া।"

"ত্ৰিকুৰিৰ বেচি নহব-একেবাৰে ডেকা মানুহ। ছোৱা-লীজনীৰ বয়স বাৰ, তাইৰ ওপৰত এটি লৰা, ধৰা তাৰো চৈধ্য বছৰ।"

"অলপতে তুমি এদিন আহাগৈ বোৱা। সকলো স্থিৰ-পটি কৰাই ভাল।"

"সুধিব বিশেষ নালাগে। ছোৱালীজনীৰ লগত তোমাৰ ৰাশি জোৰাও আহিব। মই এবাৰ আখ্‌ৰাখন চাইছিলোঁ। মনত আছে—তাইৰ কোষ্ঠীখন বলবান। ভবিষ্যৎ ভাল। বহু পুত্ৰৰ মুখ দেখিব লাগে। তাইৰ দশাৰ জোৰেদি ধন-সম্পত্তিও হব লাগে। সকলো লক্ষাণেই ভাল।"

"তুমি এবাৰ গৈ সকলো সুধি অহাই ভাল। ঘৰ-বৰনো কি চাব? তথাপি যদি চাব খোজে মাতি আহিবা।"

"তুমি নাভাবিবা। মই সকলো কৰি দিম! অলপ টকা বেচি পৰিব পাৰে। টকানো কি? আজি কালিৰ টকা খোলা গুটিৰ দৰে। আগৰদৰে আজিৰ টকাৰ মূল্য নাই।"

"টকা পৰক; মই নাভাবোঁ। টকাই মাত নিদিয়ে, মাত দিব মানুহে। সেই বাবেই মন কৰিছোঁ।"

"যাত্ৰাদি চোৱা। এদিন আহোঁগৈ। উলা-মূলাকৈ যোৱা ভাল নহয়।"

"আজি শনিবাৰ, কালি ৰবি, পৰহি সোম, "সোমে শনি পূবে বাধা।" এই দুদিন যাওক। ৰবিবাৰে মোৰ জন্ম দিবস। বুধবাৰে যোৱাই ভাল। মইনো কি যাম!"

"তুমি যাব নালাগে বাপ্প! ছোৱালীৰ মাকে আপত্তি কৰিব পাৰে।"

"কিহৰ আপত্তি? আপত্তি থকানো কি আছে?"

"সতিনী থকা বুলি!"

"তুমি ঠিক ধৰিছা। সেইটো অৱেশ্যে হয়। বাপ্প; অলপ

চাহ আনিব দিওঁ।”

“অ জাতিৰাম!” ‘জাতিৰাম’! এইপিনে আহ। জাতি ৰাম আহে। যা আয়েৰাক কৈ দুই পিয়লা চাহ আনগৈ বাঙ্ক অহা বুলি কবি”। জাতিৰাম যায়। অলপ পিছত চাহ লৈ আহে! দুয়ো চাহ খায়। ৰত্নমণি শৰ্ম্মাই এঢোক গিলি কয়,

“বাঙ্ক! চাহেই কলিৰ ভোগ! ই জাতিৰ বাঙ্ক-বিচাৰ নোহোৱা কৰিলে! বামুণ শূদিৰৰ তফাৎ নোহোৱা কৰিলে। অস্পৃশ্যতা গুচিল। যতে ততে এটুপি ধৰিলেই হল! আমাৰ ডেকা বিলাকনো কি চাবা! সিহঁতৰ চাহ খোৱাৰ মজলিছ দেখিলে গা পিৰ্ পিৰাই আহে! ইহঁতে দেশখন খাব। ব্ৰাহ্মণত্ব আৰু নৰব!”

“কি কবা সেইবিলাক! সুদায়নো আমাৰ গুদাৰাম ভকতে গায়নে—

“চাহ পুৰাণৰ কথা
শুনি লাগে ব্যথা
চাহে মাৰিলে জাতি কুল।”

দুয়ো চাহ খালে। তাৰ পিছত এচিলিম ধঁপাত হুপিলে। হঠাতে পীতাম্বৰ সোমাই আহিল। দিগম্বৰৰ মুখখন কলা পৰিল। কিবা ভাবিলে। ৰত্নমণি মাত লগালে,

“বোপাটি! ৰাতি কৰ’পৰা ওলালি।”

“কালি ৰবিবাৰ, কলেজ বন্ধ সেই বাবেহে আহিলোঁ।

“ভালেই কৰিছা! অহি থাকিব লাগে। তহঁতক এবাৰ

দেখিলে আমি সুখ পাওঁ। আমাৰ সংসাৰৰ তইঁতেই একোটা উজ্জ্বল তৰা। তইঁতেই ঘৰ পোহৰ নকৰিলে কোনে কৰিব!"

"যা বোপা! খোৱা-বোৱা কৰগৈ।" অপত্য স্নেহ দেখুৱাই পিতাকে কয়।

"মই অলপ আগতেই আহিলোঁ। চাহ খালোঁ। তুমি মেল পাতি থকা দেখি মই মাত নিদিলোঁ।"

দিগম্বৰৰ চিন্তা হল। পুত্ৰেকক নুশুনাব বুলি ভাবি থাকোঁতে সি শুনিলে। তেওঁ "বান্ধৰ ফালে চাই মুখখন সেমেনা সেমেনি লগালে। ৰত্নমণিৰ দিগম্বৰৰ মনৰ অৱস্থা বুজিবলৈ বাকী নাথাকিল? তেওঁও কিবা ভাবি তলমূৰ কৰিলে।

"পিতা তোমাক এটা কথা সোধোঁ বুলিয়েই মই আহিছোঁ।"

"কৱ, কি কব খুজিছ!"

"তুমি এই বয়সত আকৌ বিয়াৰ কথা উলিয়াইছা কিয়?।"

"বোপাটি! আমি আমাৰ জীবানন্দ বোপাৰ বিয়াৰ আলচ কৰিছোঁ। দুখীয়া লবা সি। কম খৰচতে ভাল ঘৰত ছোৱালী এজনী বন্দোবস্ত কৰি দিবলৈ পাতিছোঁ! ৰত্নমণি শৰ্ম্মাই সাজতে কয়!

"যি হওক! পিতা! তুমি বিয়াৰ কথা ভাবা বুলি মই শুনিব পাইছোঁ।"

"তই সেইবিলাক ভাব কিয়? ঘৰৰ কথা তই ভাবিব নালাগে। পঢ়ি থাক গৈ। তোক মই ঘৰৰ কথা ভাবিব কোৱা নাই।"

"কোৱা নাই সঁচা! তথাপি ঘৰৰ কথা ভাবাও মোৰ এটা কৰ্ত্তব্যৰ ভিতৰত। আগে ঘৰখন ঠিক কৰি লব নোৱাৰিলে আমাৰ নিচিনা ডেকাসকলে দহজনৰ কাম কৰিবলৈ কেনেকৈ আগ বাঢ়িম! আজিৰ মানুহে আদৰ্শ বিচাৰে। বক্তৃতা-মঞ্চত দিয়া তেজী বক্তৃতাৰ মূল্য আজি কমি গৈছে। যিবিলাক মানুহে আনক উপদেশ দিয়ে সেইবিলাক মানুহৰ উপদেশৰ মূল্য নিৰূপণ কৰে তেওঁ কৰা কামবিলাকে। মোৰ ঘৰত যদি সদায় অশান্তি নুগুচে, তেনেহলে মই চুবুৰীয়াৰ মাজত থকা ঘৰুৱা অশান্তি গুচাবৰ কাৰণে কেনেকৈ উপদেশ দিম? তেওঁলোকে মোৰ উপদেশ মানিবনে? মোক ইতিকিং নকৰিবনে?"

"তইঁত ছাত্ৰ। ছাত্ৰৰ তপ অধ্যয়ন। "ছাত্ৰানাং অধ্যয়নং তপঃ।" এই ঋষি বাক্য উলঙ্ঘা কৰিব নাপায়। তইঁতে নিজৰ তপ ভাঙি দেশৰ কাম কৰিবৰ সময় হোৱা নাই। বুজিছ বোপা! সময় হলে কৰিবি। এতিয়াৰপৰা ভাবিব নালাগে।" ৰত্নমণি শৰ্ম্মাই পীতাম্বৰক বুজাবৰ চেষ্টা কৰে!

"অধ্যয়ন শব্দই পাঠ্য কিতাপ কেইখনৰ পাত কেইটাকে মুখস্থ কৰা নুবুজায়। আগৰ সমাজ, আগৰ ঋষিৰ ঘৰত থাকি পঢ়া ছাত্ৰ আৰু আজিৰ সমাজ, আজিৰ ছাত্ৰৰ মাজত আকাশ পাতাল প্ৰভেদ। আজিৰ সমাজৰদৰে আগৰ সমাজ জটিল নাছিল। আজিৰদৰে তেতিয়াৰ দিনত অৰ্থনৈতিক অৱস্থাৰ সেৰপাক নাছিল দুৰ্নীতি নাছিল!"

" বোপা আমাক আৰু বুজাব লাগেনে ? তোমাৰ পিতৰা নিজেই পাণিনি ব্যাকৰণত পণ্ডিত, ব্যাকৰণৰ উপাধি পাচ; মই সঁচাই মিছাই জ্যোতিষ শাস্ত্ৰখন অলপ জানোঁ। আমি আৰু সংসাৰৰ কথা নুবুজোঁনে ? আমিতো এলাবাদু লোক; নহয়। তই কি কব খুজিছ তাকে ক ! "
ৰত্নমণি শৰ্ম্মাৰ মুখত খঙৰ ভাব। তেওঁ পীতাম্বৰে কিবা কব বুলি অলপ ভয়ো বাখে। তেওঁ জানে, তেওঁ পীতাম্বৰক বুজাব নোৱাৰে

" মই কৈছো, পিতাই যদি বিয়াৰ মন কৰিছে মই তাৰ ঘোৰ বিৰোধিতা কৰিম। বিয়াৰ শেষ ফল কেনে হব পাৰে সংসাৰ খনৰ ফালে এবাৰ চালে বুজিব পৰা যাব। আৰু যদি মন কৰা নাই তেনেহলে মোৰ কবলৈ একোৱে নাই ! "

" আমিয়ে তেওঁক বিয়া কৰাব দিছোঁ। এজনী তিৰোতাই ঘৰখন চম্ভালিব নোৱাৰে। তোকো বিয়া কৰাই দিবৰ হোৱা নাই ! হাজাৰ হওক পঢ়া ছাত্ৰ ! পঢ়ি থাক বোপা। "

"সেইবাবেই বিয়াৰ মন নেকি ? "

"সেয়েতো। নহলে তয়ে বিয়া কৰ ! পাৰিবি জানোঁ। "

" মই নোৱাৰো ! "

"তেনেহলে আপত্তি কৰ কিয় ? "

"কৰিব লগীয়া কাৰণ আছে বাবেই কৰিছোঁ। পিতা ! তুমি ভাবিছিলা যদিও বাদ দিয়া। সেইবিলাক বাদ দিয়া পিতা !! পৰিণাম ভাল নহব ! এবাৰ সংসাৰ খনৰ ফালে

চোৱা! বামুণ সমাজ খনৰ ফালে চোৱা। ”

“তই মোক বুজাব নালাগে! বুজিছ পীতাম্বৰ! যা এতিয়া পঢ় গৈ। ”

পীতাম্বৰ উঠি যায়। দিগম্বৰ আৰু ৰত্ন শৰ্ম্মাই অলপ কাহা ফুহা মেল কৰে। তাৰ পিছত ৰত্নমণিয়ে সকৈ ফুটাই কয়।

“ বান্ধ! কেনেদিন হল! কলেজীয়া ডেকাবিলাকে পূৰ্ব্বৰ দস্তুৰ সকলো দলিয়াই পেলালে। পিতাকৰ লগতো কথাই কথাই প্ৰতিবাদ কৰা হল। এনেকি বিয়াতো বাধা দিয়া হল। কব নোৱাৰোঁ সংসাৰৰ গতি কোনমুৱা হৈছে। তোমাক মই আগেয়ে কৈছিলোঁ। তাক ইংৰাজী নপঢ়াবলৈ। টোলত পঢ়াই তোমাৰ ব্যৱসায়ত লগাই দিলে আজি যি তোমাৰ আগত মূৰ তুলি কথা কব নোৱাৰিলেহেঁতেন। তুমি আকৌ স্কুল, কলেজ পাচ কৰোঁৱাই বৰ হাকিমৰ বাপেকটো হোৱা! কলেজ পাচ কৰাই, ইংৰাজী পঢ়ুৱাই চাহাবৰ বাপেক হোৱা! ”

“সি কওক! ডেকামনৰ মানুহ। সকৰেপৰা তাক বৰ মৰম কৰোঁ দেখি সি তেনেদৰে কৈছে। মই বেয়া নাপাওঁ। তুমি বুধবাৰে ঘূৰি আহাগৈ। তাক এই সম্বন্ধে মই আৰু একো নকওঁ। তাৰ গৰমৰ বন্ধ নপৰোঁতে বিয়া খন পাৰ হৈ যাব লাগে। ”

“হব বাৰু। সেই গাৱঁৰে ভদী কলিতাৰ পুতেকৰ বিয়াৰ

দিনটো চাই দিবলৈ মোক নিমন্ত্রণো কৰিছে! দুয়োটাই হব 'আইৰো বার্তা;' গঙ্গাবো যাত্রা, যি কৰে বিধাতা। এতিয়া যাওঁহে।"

"যোৱা বান্ধ বেজাৰ নাপাবা। বিৰক্তিহে কৰিলোঁ।" "নাই তোমাক হে বিৰক্তি কৰিলোঁ!"

ৰত্নমণি শৰ্ম্মা ওলায় যায়। দিগম্বৰে কিবা ভাবে। তাৰ পিছত কালিকা পুৰাণ খনৰ এক অধ্যায় পঢ়ে। তেওঁৰ বৰ ভাল লাগে। তাঙকৈও ভাল লাগে মহাভাৰতৰ শান্তনুৰ বিয়া,' 'উষাহৰণ,' 'ৰুক্মিনী হৰণ,' 'সীতা–সয়ম্বৰ,' আদি। এই বিলাক তেওঁৰ কণ্ঠস্থ।

## —পাচ—

বুধবাৰৰ দিনা। ৰাতিপুৱাই খোৱা-লোৱা কৰি ৰত্নমণি শৰ্ম্মাই নিজৰ জোলোঙাখনত ডাইৰেক্টৰী পঞ্জিকা আৰু খনাৰ বচন খন ভৰাই ললে। দিগম্বৰ শৰ্ম্মা আহি তেওঁক দিহা দি গল। সাতমান বজাত নিজগাওঁ বিষ্ণুপুৰৰপৰা যাত্রা কৰিলে। বিষ্ণুপুৰৰপৰা ভীমপুৰ ৮ মাইল দূৰ। দুপৰীয়া তেওঁ কীৰ্ত্তি-ৰাম শৰ্ম্মাৰ ঘৰ পালেগৈ। শৰ্ম্মাই তেওঁক স্বাগত সম্ভাষণ জনালে। তাৰ পিছত তাতে তেওঁক ভোজনো কৰোৱা হল। খাই বৈ উঠি অলপ জিৰণি ললে। তাৰ পিছত "কলিৰ ভোগ" চাহ এটুপি খালে। কীৰ্ত্তিৰামে তেওঁক যাত্ৰাৰ কাৰণ সুধিলে। ৰত্নমণি উত্তৰ দিলে,

"এটি সুখবৰ লৈ আহিছোঁ। শুনি আনন্দ পাব!"

"কওক!" কীৰ্তিৰামৰ মুখত হাঁহি, অন্তৰত আনন্দ।

"আপুনি যে কৈছিল, ছোৱালী জনীৰ কাৰণে।"

"ক'ৰবাত পালে নেকি?"

"মইনো নাপাওঁ নে?"

"ভাল কথা! ছোৱালীৰ মাকে মোক সদায় তাকেই কৈ থাকে। মোৰ কাণৰ পোক সৰুৱালে। দিনে-ৰাতি তাৰেই চিন্তা। ছোৱালীটি দেখিলেই মনত পৰে—তাইক ক'ত সোধাওঁ। মাকৰো সেয়েই চিন্তা।"

"হবই। ছোৱালীৰ বিবাহৰ উপযুক্ত সময়। মাকৰ চিন্তা হবই লাগিব। ছোৱালীৰ প্ৰতি মাকৰ টান লৰাতকৈ অলপ বেচি বুলিবই পাৰি। সেই বাবেইতে তেনে চিন্তা।"

"পাছেবৰ পালে ক'ত?"

"ৰৰ মোৰ গাঁৱতে ওলাল। আপুনি তেওঁক জানে। আমাৰ গাঁৱৰ শ্ৰীদিগম্বৰ শৰ্মাই বৰ। বৰ মাতব্বৰ মানুহ। মানুহজন ভাল। ধন-সম্পত্তি খাওঁতা নাই। সেই বাবেই বিয়াৰ মন কৰিছে। কিজানি ভগবানে সম্পত্তি ভোগ কৰাবলৈ কাৰবাক পঠায়।" ৰত্নমণি শৰ্মাৰ কথা শুনি কীৰ্তিৰামে তলমূৰ কৰি কিবা ভাবে। তাৰ পিছত কয়'— "বয়সেই বহুত হল নেকি?"

"নাইহোৱা। আজি-কালিৰ বছৰ—আৰম্ভ হলেই পাৰ হৈ যায়। তেওঁ সেই দিনাৰ মানুহ; মই তেওঁৰ জন্মৰ কথা

কৰ পাৰোঁ। মানুহজনে বৰ পৰিশ্ৰম কৰে; সেইবাবে অলপ খাণ।” “আৰু ক'ৰবাত খবৰ পাইছে নেকি?

“নাই পোৱা। বৰ পাব ক'ত? বৰ পোৱা টান। আমি দুখীয়া মানুহ। দুখীয়াৰ ঘৰলৈ আহিব কোন? পঢ়া লৰা-বিলাকেতো দুখীয়াৰ ঘৰলৈ আহিব নোখোজে। ধনী নাহে। সেই বাবেই দুখীয়াৰ ছোৱালী অলপ কষ্ট পাবই। দুখীয়া বামুণৰ ঘৰত ছোৱালী উপজিলে তাৰ সমান জঞ্জাল নাই। কন্যাকাল নোহোৱাৰ আগৰ পৰাই ছোৱালীৰ চিন্তাই জুকলা কৰে; বৰ বিচাৰি হাবাথুৰি খাব লাগে। দিনে-ৰাতি তাৰেই চিন্তা। পেটৰ ভাত মুঠিৰে জঞ্জাল নমৰে, টকা খৰচ কৰি ছোৱালী বিয়া দিয়ে কেনেকৈ? নিৰুপায়! ধনী বামুণবিলাকে দুখীয়া বামুণৰ কথা নাভাবে। ভাবিবই বা কিয়? বন্ধ্যা তিৰোতাই কাহানিবা প্ৰসৱ বেদনাৰ কথা বুজেনে? সেইবাবেই কৈছোঁ সংসাৰখনত দুখীয়াৰ কাৰণে সকলো সুবিধা নাই।”

ৰত্নমণিৰ কথা শুনি কীৰ্তি শৰ্মাই হুমুনিয়াহ কাঢ়ি কয়, “কি কৰিব! আমাৰ কপালৰেই দোষ। নহ'লে পৰিশ্ৰম কৰিও খাব নাপাওঁনে?” —“সেই বাবেই কৈছোঁ আপোনাৰ ছোৱালী দুখীয়াৰ ঘৰত জন্মিছে যেতিয়া সকলো সুবিধা তাই পাবনে? নাপায়। দিগম্বৰ শৰ্ম্মা কুৰি বছৰীয়া ডেকা নহলেও আপোনাৰ ছোৱালী সুখতে খাব পাৰিব। ছোৱালীৰ কোঠীমতে ভৱিষ্যৎ উজ্জ্বল! ভাবিব নালাগে; মই কৈছোঁ। জ্যোতিষ শাস্ত্ৰখনতো সাধু কথাৰ পুথি নহয়। তাৰ বচন ব্যৰ্থ

হব নোৱাৰে।”

“মই কথাটো ভাবি চাওঁ; মাককো জনাওঁ। তাৰ পিছত মই সঠিক জনাম! নহব জানো?”

“নহব কেলেই? হব। ছোৱালীজনীৰ জীৱন এটা এজনক সঁপি দিব! গতিকে অলপ ভাবিবও লাগিব। অ' ছোৱালীটিৰ নামটো কি? পাহৰি গলোঁ।”

“নাম দীপু, শ্ৰীমতী দীপু।”

“ৰাশি জোৰা আহিব!” অলপ ভাবি ৰত্নমণি কয়।

বেলা ভাটি দিলে। ৰত্নমণি শৰ্ম্মা ঘৰমুৱা হল। মনত আনন্দ। সেইবাবে খোজ বেগাই কাঢ়িলে—সোণকালে ‘বান্ধৱ’ খবৰ দিবলৈ। ওৰে বাটে কি কৰ, কি নকৰ ভাবি আহোঁতে কেতিয়া ঘৰ পালে কবই নোৱাৰিলে। জোলোঙাখন বেৰত আঁৰি থৈ তৎক্ষণাৎ দিগম্বৰৰ ঘৰ পালেগৈ। দিগম্বৰ শৰ্ম্মায়ো ইতিমধ্যে মনৰ উচপিচনিত বৰ নোৱাৰি চিনিবাৰ খবৰ লৈ থৈছেহি। যি হওক তেওঁ এতিয়া ‘বান্ধৱ’ আগমনত বং পালে। সকলো কথা শুনি হিয়া-জুৰ পৰিল। ৰত্নমণিক চাহ তামোল আৰু মলাধপাতেৰে আপ্যায়িত কৰি বিদায় দিলে। তেওঁ যোৱাৰ পিছত দিগম্বৰ শৰ্ম্মাই ছোৱালীজনাৰ প্ৰতিমা এটি কল্পনা কৰি ভাবত তন্ময় হৈ বহি থাকিল। আগত কালিকা পুৰাণখন। কেতিয়া জাতিৰাম আহি ভাত খাবলৈ মাতি গল কবই নোৱাৰিলে।

* * * *

তিনদিনৰ মূৰত। আবেলি কীৰ্তিৰাম শৰ্ম্মা আহি ৰত্ন-মণিৰ ঘৰত উপস্থিত হল। যোৱা দুদিন তেওঁ কতো দৰাৰ সন্ধান নাপালে। মনৰ দুখ আৰু জঞ্জালৰপৰা উদ্ধাৰ হবলৈ তেওঁ ঘৈণীয়েকৰ লগত আলচ কৰি দিগম্বৰৰ লগতে ছোৱালীজনী বিয়া দিবলৈ সিদ্ধান্ত কৰিলে। ঘৈণীয়েকে বৰৰ বয়স লৈ প্ৰথমে আপত্তি কৰিলেও পিছত সম্পত্তিৰ লালসাত বিয়া দিবলৈ সন্মত হল। ছোৱালীৰ মাকে দৰা নিৰ্ব্বাচন কৰোঁতে ধন-সম্পত্তিকে প্ৰথম স্থান দিয়ে। ইচ্ছা, যাতে ছোৱালীজনীয়ে বিনা কষ্টে দিন কটাব পাৰে। সতিনী থকা কথা তেওঁলোকে মন নকৰিলে। কৰিবৰ কাৰণো নাই; কিয়নো বুঢ়া দৰাই নতুনকৈ বিয়া কৰোৱা ছোৱালীক অতি মৰম কৰে; আগৰ তিৰোতা থাকিলেও তাই মৰম দিওঁ মৰম আদায় কৰিব নোৱাৰে। যি হওঁক কীৰ্তিশৰ্ম্মাই দিগম্বৰক ছোৱালী দিয়াৰ কথা জনাবলৈ বিষ্ণুপুৰ পালেহি। ৰত্নমণিয়ে দিগম্বৰক খবৰ দিলে। দিগম্বৰৰ মুখত হাঁহি। জাতিৰামক বহা ঘৰটোত চকী-মেজ কেইখন চিজিল লগাই থব দিলে। ঘৈণীয়েকক চাহৰ যোগাৰ কৰিব দিলে। তাৰ পিছত তেলতুল ঘঁহি চাদৰখন পৰিপাটি লগাই গাত লৈ কীৰ্তিশৰ্ম্মাৰ কাষ পালেগৈ। কীৰ্তিশৰ্ম্মাই আগমনৰ উদ্দেশ্য জনোৱা শেষ হোৱাত দিগম্বৰে তেওঁক নিজ ঘৰলৈ আমন্ত্ৰণ কৰিলে। ভাবী জোৱাঁ-য়েকৰ আমন্ত্ৰণ আৰু ঘটক ৰত্নমণিৰ অনুৰোধ উপেক্ষা কৰিব নোৱাৰি কীৰ্তিশৰ্ম্মা আহিল। দিগম্বৰ ঘৰৰ ভিতৰলৈ যোৱাত

ৰত্নমণিয়ে কীৰ্তিশৰ্ম্মাক কলে,

"আপুনি 'বান্ধ'ক 'তুমি' বুলি মাতিব। 'আপুনি" বুলি মাতিলে কেনেবা শুনি।" তেওঁৰ মুখত মিচিকিয়া হাঁহি।

"হলে হল এটা" কীৰ্তিশৰ্ম্মাই উত্তৰ দিলে।

"তথাপি সম্বন্ধটোও এবাৰ ভাবি চাব লাগিব।" দিগম্বৰ ভিতৰৰপৰা আহিল। তেওঁৰ আগতেই ৰত্নমণিয়ে কীৰ্তি শৰ্ম্মাক কলে,—"ঘৰখন ভাল। তেওঁৰ লৰাটো বুধিমান। চাকৰ দুটা। ধানৰ ভঁড়াল দুটা, গৰু বাচৰু বহুত। যজমান দুশ ঘৰ মাটি কুৰি পুৰা। সৰু সুৰা জমিদাৰ। অৱস্থা ভাল। সকলো প্ৰভু জগন্নাথৰে অনুগ্ৰহ। তেওঁৰ মনত কেৱল দুখ; পিছৰ গৰাকী তিৰোতাৰ ছা-ছলি একো নাই। হবৰ আগন্তুকো নাই আৰু সেই বাবেই বিয়াৰ যোগাৰ!" কীৰ্তি শৰ্ম্মাই মূৰ দুপিয়াই স্বীকাৰ কৰিলে। জাতিৰামে চাহ আনি দিলে। তাৰ পিচত এচলিম ধপাঁত ভুপিলে। নানা কথা আলোচনা হল। অৱশেষত মাঘৰ পোন্ধৰ তাৰিখে বিয়াৰ দিন ঠিক কৰি কীৰ্তি শৰ্ম্মা বিদায় ললে। ৰত্নমণি আৰু দিগম্বৰৰ মাজত কিবা গোপন আলোচনা চলিল। আলোচনাৰ অন্তত ৰত্ন-মণিয়ে কলে,

"বান্ধ! মাত্ৰ চাৰিশ টকা সেইকালে দিলেই হব। বান্ধত পাৰিছে যেতিয়া আৰু কৰিব পাৰেনে?"

"সেইটো হয়; কিন্তু কথাটো ফাদিল নকৰিবা। গাৱঁৰ টটকীয়াইঁতে বিকদ্ধে কিবা লগাব পাৰে।"

"মোকো শিকাব লাগেনে?
দিগম্বৰে ধপাঁত আনে। তুয়ো খায়। সিদিনাৰ পৰা ইমানতে।

—ছয়—

অনিমাৰ মনত দুখ। ভৱিষ্যতৰ কথা ভাবি তাই বিমোৰত পৰিছে। সতিনীৰ জ্বালা তাই কেনেকৈ সহিব? দিগম্বৰ এতিয়াই তাইৰ প্ৰতি উদাসীন, নতুন সতিনী এজনী আহিলে তেওঁ তাইক সম্পূৰ্ণৰূপে ভুলি যাব বুলি তাই ভাবে। তাই কেতিয়াবা তাইৰ অপূৰ্ণ কামনা বাসনাৰে ভৰা জীৱনটোৰ কথা ভাবি চকু-পানী মচে। তাই ভাবিছিল তাইৰ গিৰীয়েকে বিয়াৰ কথা উলিয়ালেও বিয়া হব নোৱাৰে; অন্ততঃ পীতাম্বৰে আপত্তি কৰিব। সতীয়া পো হলেও তাই তাক ভাল পায়। সিও নিজৰ মাক বুলি তাইক ভক্তি কৰে; কিন্তু বাস্তৱ ক্ষেত্ৰত আজি তাই সম্পূৰ্ণ ওলোটা দেখিলে। পীতাম্বৰৰ প্ৰতিবাদ বুজনি সকলো উফৰি পৰিল। দিগম্বৰৰ বিয়াৰ বন্দোবস্ত হল মাঘৰ পোন্ধৰ তাৰিখে। তেতিয়াৰপৰা ডেৰমাহ পিছত। তাই নিজৰ পথ মুকলি কৰি লবৰ মনেৰে দিগম্বৰ শৰ্ম্মাৰপৰা পূৰ্বৰ প্ৰতিশ্ৰুতি মতে চাৰিপূৰা ভূঁই মাটি, ডবিঘা বস্তী-মাটি নিজৰ নামত লিখি ললে। তাৰোপৰি নিজৰ কাৰণে তাই কেই-ডোলামান সোণৰ অলঙ্কাৰ কেইজোৰামান পাট-মুগাৰ কাপোৰ কৰি ললে। দিগম্বৰ শৰ্ম্মাই বিনা আপত্তিতে সকলোখিনি দি নিজৰ পথ মুকলি হোৱা বুলি ধৰি ললে। ভাবিলে ঘৈণীয়েক

তুষ্ট হৈছে যেতিয়া। তেওঁৰ পথৰ কণ্টক দূৰ হৈছে! ভগবানো তুষ্ট হব, রুষ্ট হব কোন?

দিগম্বৰ শৰ্ম্মাৰ পৰা মাটি খিনি লিখি লোৱাৰ পিছৰ পৰাই অনিমাৰ মনৰ পৰিবৰ্ত্তন হল। তাই নিজৰ কাম কৰি থাকিলেও মনটো মৰা। কাম বনতো আউল লাগে। কিবা ভাবি কিবা কৰে। কেতিয়াবা তাই চঞ্চল হৈ উঠে! তাই ভাবে, বহুতো ভাবে। তাইৰ মনটো দিগম্বৰ শৰ্ম্মাৰ পৰা আঁতৰি আহিব খোজে। তাই একো ঠিক কৰিব নোৱাৰে। ইমান দিনে তাই অন্তৰৰ পৰা নিজৰ স্বামীক ভক্তি কৰি আহিছে নিজৰ দেহ মন তেওঁকে অৰ্পণ কৰি দিছে! আনৰ কথা তাই এবাৰ ভুলতেও ভবা নাই। মাক বাপেকৰ আদেশ তাই মানি আহিছে মাক বাপেকৰ আদেশক তাই আৰু বাট চাব নোৱাৰিলে! তাই নিজক নিজে প্ৰশ্ন কৰে, উত্তৰ পায়। তাই ভাবে, মাক-বাপেক তাইক বিয়া দিয়াৰ গৰাকী; সুখ দুখৰ গৰাকী নহয়। বিয়াৰ পিছত পুৰুষে তিৰোতাৰ ভাগ্য-বিয়ন্তা বিধাতা, সুখ-দুখৰ গৰাকী স্বামী। স্বামীয়ে যদি তাইক আওহেলা কৰে, তাইৰ সুখ দুখৰ প্ৰতি এবাৰো চকু নিদিয়ে তাইও স্বামীক আওহেলা কৰিব নোৱাৰিব কিয়? তাইৰ স্বামীয়ে যদি তাই থকা স্বত্বেও তাইক তুচ্চ জ্ঞান কৰি আন এজনী কুমলীয়া ছোৱালী বিয়া কৰাই আনিব পাৰে, তায়ো তাইৰ বৃদ্ধ স্বামীক পৰিত্যাগ কৰি নিজৰ অভিৰুচি মতে এজন ডেকা বাচি লব নোৱাৰে কিয়? নিজৰ মনতে জাগি উঠা এই প্ৰশ্ন বিলাকৰ

তাই উত্তৰ পায়, "পাৰে, নোৱাৰিব কিয় ?" তাই মুকলি ভাৱে পুৰুষৰ দৰে তেনে কৰিব নোৱাৰে। কাৰণ বিচাৰি চায়। তাই দেখে সমাজখন পৰিচালনা কৰে পুৰুষে। গতিকে পুৰুষে নিজৰ সন্তুষ্টি সাধনৰ কাৰণে তিৰোতাৰ স্বাৰ্থৰ প্ৰতি অৱহেলা কৰে; বুজিও নুবুজাৰ ভাও ধৰে। তাই আকৌ ভাবে, পুৰুষে এজনী তিৰোতা মৰিলে বহু বিবাহো কৰিব পাৰে, কিন্তু বিশেষকৈ বামুণৰ ছোৱালী এবাৰ বিধবা হলে তাই পুনৰ বিবাহ কৰিব নোৱাৰে। তাই ভাবে পুৰুষো মানুহ, তিৰোতাও মানুহ; কিন্তু মানুহ হিচাবে পুৰুষে যিখিনি বিচাৰে তিৰোতাৰ প্ৰাণেও সেইখিনি বিচাৰে। তিৰোতাৰ প্ৰাণৰ আশা আকাঙ্খাবিলাকক দমন কৰি ৰখাৰ যুক্তি ক'ত ? তাই উত্তৰ উলিয়াব নোৱাৰে; তাইৰ মন বিদ্ৰোহী হৈ উঠে। হিতাহিত জ্ঞান তাইৰ লয় পাব খোজে; তথাপি পিচমুহূৰ্ত্তত তাই আকৌ মন বান্ধে। বিয়াৰ সেই অমঙ্গলীয়া দিনটোলৈ তাই প্ৰতীক্ষা কৰে।

—সাত—

ভূমিধৰ চৌধুৰীৰ ঘৰ ভীমপুৰত। কীৰ্তিৰাম শৰ্ম্মাৰ গাৱঁতে। সি গাৱঁত থকা কুসংস্কাৰ আৰু দুৰ্নীতি দূৰ কৰিবলৈ বদ্ধ পৰিকৰ। সি নীৰৱ কৰ্ম্মী। বক্তৃতা-মঞ্চত ফেঁটু-ফালি, ভাল শব্দ কেইটামান বিচাৰি বক্তৃতা দিয়া অভ্যাস তাৰ নাই। সি নিজৰ কামৰ জয় ঢোল নবজায়। যি কৰে

সকলো নীৰৱে কৰে। সি ভাবে অসমৰ শতকৰা প্ৰায় ৯০ জন লোকে গাঁৱত বাস কৰে। গাঁৱলীয়া সমাজৰ উন্নতি নহলে দেশ উন্নত হব নোৱাৰে। গাঁৱলীয়াৰ উন্নতি কৰিব লাগিলে, গাঁৱত আদৰ্শ সমাজ গঢ়ি তুলিব লাগিলে তাৰ দায়িত্ব বহন কৰিব লাগিব গাঁৱৰ শিক্ষিত সকলে। ছাত্ৰবিলাকে যদি ৰাজনৈতিক দলৰ নেজত নধৰি প্ৰত্যেকে নিজৰ নিজৰ গাঁৱৰ উন্নতি কৰিবলৈ মন বান্ধে তেনেহলে ছাত্ৰ আৰু গাওঁ উভয়ৰে মঙ্গল। অধ্যয়ণৰ উপৰিও প্ৰত্যেকজন ছাত্ৰই নিজৰ গাওঁ উন্নয়নত আগভাগ লব পাৰে। তাকে নকৰি যদি ছাত্ৰসকলে অ'ৰ ত'ৰপৰা দুই চাৰিটা কথা ধাৰ কৰি আনি গাঁৱলীয়াৰ আগত আওৰায় তেনেহলে কোনো কামেই ছাত্ৰৰদ্বাৰা সিদ্ধ হব নোৱাৰে। আজিৰ গাঁৱলীয়াই গাঁৱৰ বহিৰৰ ভদ্ৰলোকৰ চকু-পানী টুকি দিয়া বক্তৃতাত ভোল নাযায়। তেওঁলোকে কাম বিচাৰে, আদৰ্শ বিচাৰে। সেই বাবেই ভূমিধৰ চৌধুৰীয়ে তাৰ পৰিকল্পনামতে কাম কৰিবলৈ নিজ গাঁৱত শিক্ষিত আৰু অশিক্ষিত ডেকা সকলক লৈ এটা "প্ৰগতি সংঘ" খুলিছে সংঘৰ উদ্দেশ্য গাঁৱলীয়া সমাজ ব্যৱস্থাত থকা আবৰ্জনা সমূহ দূৰ কৰি গাঁৱলীয়া সমাজক প্ৰগতি পথত আগবঢ়াই দিয়া। প্ৰগতি পথত যদি কিবা ই ভেটা দিয়ে তেনেহলে অহিংস উপায়েৰে সেইবিলাক গুচাই পেলাব। ভূমিধৰ চৌধুৰী আৰু গাঁৱৰ প্ৰগতি-সংঘৰ সভাপতি।

পীতাম্বৰে ভূমিধৰৰ আদৰ্শ লবলৈ বিচাৰে। তাৰ লগত

কথা-বতৰা কৈ তাৰ ভাল লাগে। সিও তাৰদৰে গাৱঁত কাম কৰিব বিচাৰে। সেইবাবেই সি তাৰ মনৰ কথা ভূমিধৰক ভাঙি কয়! ভূমিধৰৰ পৰা সি পথৰ সন্ধান বিচাৰে।

* * * *

এদিন আবেলি। ভূমিধৰে পদূলিমুখত পীতাম্বৰক অপেক্ষা কৰি থাকোঁতে সি উপস্থিত হল। দুয়ো কিছুপৰ বাহিৰা কথা আলোচনা কৰি আচল কথালৈ আহিল। চৌধুৰীয়ে সুধিলে,

"বন্ধু! খবৰ কি?"

"খাটং। আৰু দহদিন বাকী। মাঘৰ পোন্ধৰ তাৰিখে সিজনিক তোমালোকৰ গাৱঁতে বিচাৰি পালে।"

'আমাৰ গাৱঁত?" সি আচৰিত হৈ উঠে।

"হয়, তোমালোকৰ গাৱঁতে।"

"কাৰ ছোৱালী জানা?"

"জানোঁ। কোনোবা কীৰ্ত্তিৰাম শৰ্ম্মাৰ। নাম দীপু, বয়স বাৰ, পাঠশালা স্কুলৰ তয় মানত পঢ়ে, পঢ়াত ভাল, দেখাত ভাল, মানুহৰে৷ ভাল। সকলো ভাল। দেয় বুলিবৰ ভিতৰত মানুহ জন দুখীয়া, প্ৰাইমাৰী স্কুলৰ পণ্ডিত।"

"সি হওক! দূৰৰ-গঙ্গা ওচৰতে মিলল। কথা সহজ হৈ পৰিব, কিন্তু কীৰ্ত্তিৰামৰ কথা ভাবিলে দুখ লাগে। বেচেৰা কীৰ্ত্তিৰামটো।"

"কি হল কীৰ্ত্তিৰামৰ?"

"মানুহজন ভাল; কিন্তু হব কি? অভাৱে তেওঁক জুৰুলা

কৰিছে। সাতোটা লৰা ছোৱালীক পোহ দিব লাগে। ২০টা টকাৰে কি কৰিব? উপায় নাপায়! ছোৱালীজনীৰ চিন্তাই তেওঁক আৰু বিপদত পেলাইছে। সেইবাবেই হবলা ৫৫ বছৰ বয়সীয়া তোমাৰ পিতাৰাকে বৰ বিচাৰি পালে?"

"তাকেইতো ভাবোঁ ভাই! সংসাৰখনৰ কথা! অৰ্থ-চিন্তাৰ কথা! অৰ্থই মানুহক কিযে নকৰে! ইয়াৰ অভাৱত বহুতে যত্ন কৰিও সংসাৰত পদে পদে বিফল হয়। যেনিয়ে চায় তেনিয়ে নিৰাশাকে দেখে। কিছুমানে নিজৰ পেটৰ পোৱালিকো টকাৰ কাৰণেই বিক্ৰি কৰে। বহুতে আকৌ তেজ-মাংসৰে গঢ়া দেহটোকে লৈ কাৰবাৰ কৰে। শৰীৰৰ সৌন্দৰ্য্য বেচি নিজকে পোহ-পাল দিয়ে। আনহাতে ধনী-বিলাকে টকাৰ বলতে বলীয়ান হৈ সংসাৰত সকলো কৰিব বিচাৰে। সিহঁতে মানুহৰ মনুষ্যত্ব পৰ্য্যন্ত টকা দি কিনি নিজৰ মহত্ত্ব ঘোষণা কৰে। দৰিদ্ৰ, ক্ষুধিত আদিৰ ওপৰত কৰা উৎপীড়ন সিহঁতৰ তামাচা, শোষণ কৰা সিহঁতৰ ধৰ্ম্ম, সিহঁতক সৰ্বহাৰা কৰা সিহঁতৰ কৰ্ম্ম। দীন-দুখীৰ সংসাৰ খনত যেন কোনো স্বত্ব নাই— সিহঁত যেন আবৰ্জনা, সিহঁত যেন ধনীৰ খেলৰ পুতলা—আৰু সিহঁতৰ কামবিলাক যেন পুতলা-নাচ। এয়েই আজিৰ মানৱ ধৰ্ম, সমাজৰ স্বৰূপ! এইবিলাক দেখিলে, শুনিলে মনটো কেনেবা লাগি যায়।

"দীন-দুখী আজি নিজৰ অৱস্থাৰ প্ৰতি সজাগ নহয়। সিহঁতে একতা নিবিচাৰে। কোনোমতে কুকুৰ মেকুৰীৰ দৰে

দুখে কষ্টে সংসাৰত চাৰি দিন থাকি জীৱনটো কটাই দিব পাৰিলেই সকলো লেঠা মৰা বুলি ভাবে। সিহঁতে নাভাবে যে সিহঁতো ধনীৰদৰে মানুহ; মানুহ হিচাবে সংসাৰত সিহঁতৰো এটুকুৰা ঠাই আছে! সিহঁতৰো স্বত্ব আছে।"

"সেই বাবেই তো আজি দুটা শ্ৰেণী গঢ়ি উঠিছে; ধনী আৰু দুখীয়া। এটা শোষক আনটো শোষিত। এটা সুখী আনটো দুখী। এটাৰ মনত সংসাৰখন স্বৰ্গ আনটোৰ মনত সংসাৰখন নৰক। এটাই সংসাৰখনত দেখে আনন্দ; বং তামাচা আৰু বাকীটোৱে দেখে চাৰিওফালে নিৰাশা, বিভীষিকা, আন্ধাৰ। তাৰ বাবেই লাগে পৰিৱৰ্ত্তন।"

"পৰিৱৰ্ত্তন এদিন হবই। মানুহৰ চকু মেল খাব। দীন-দুখী এনে বলত বলীয়ান হৈ উঠিব যে কোনো শক্তিয়ে ইয়াক বোধ কৰিব নোৱাৰিব। তেনে দিন তেতিয়া আহিব যেতিয়া মানুহে মানুহৰ মূল্য বুজিব। মানৱতা যেতিয়া সমাজৰ ভিত্তি হব। একে দিনাই সেই দিন নাহে। অস্ত্ৰ-শস্ত্ৰলেও সেই দিন আনিব নোৱাৰে। যেতিয়া মানুহে

"মানুহেই দেৱ মানুহেই সেৱ
মানুহেই বিনে নাই কেৱ" বাণী মৰ্মে মৰ্মে

উপলব্ধি কৰি 'মানৱ সেৱা' কৰিব তেতিয়া সেই দিন আহিব, ৰাম ৰাজ্য গঢ়ি উঠিব। এদিন নহয় এদিন সেই দিন আহিবই। নিৰাশ হবৰ কাৰণ নাই!"

"আচল কথা কৰবাত এৰিলোঁ। এতিয়া কি কৰা যায়।

মাত্র দহোটা দিন বাকী। নহলে মাত্র চাৰিশ টকাতে জীৱন এটা বিক্রী হৈ যাব।”

“ভয় নকৰিবা। কথা সহজ হৈ পৰিছে। আমাৰ গাৱঁত যেতিয়া কন্যা মই সকলো কৰি দিম। তুমি সকলো শক্তি প্রয়োগ কৰিবলৈ সাজু আছাতো।”

“ নিশ্চয়। ”

“তেনেহলে আৰু ভয় নাই। মই ভালৰ কাৰণে সকলো কৰিম। আমি গাৱঁত আদর্শ দেখুৱাব লাগিব। তাৰ বাবে ত্যাগ কৰিব লাগিব। আমাৰ কথা আৰু কাম এক হব লাগিব; বক্তৃতা দি আমি একো কৰিব নোৱাৰিম। আমাৰ বক্তৃতা শূণাত মিলি যাব। লাভ নহব। সেইবাবে আমি কাম কৰিব লাগিব। উৎসাহ উদ্দীপনা বুকুত লৈ উজ্জ্বল ভবিষ্যত এটা আগত ৰাখি আমি আগ বাঢ়ি যাম—সকলো সিদ্ধ হৈ যাব। তুমি নিৰাশ নহবা। আশা-আকাঙ্খা বাদ দি দেহ-বিচাৰৰ গীত গাই আজিৰ যুগৰ সমস্যা সমাধান কৰিব নোৱাৰি। মই হলে সদায় আশাবাদী; সেইবুলি মই আলা-সত চাও পাতিব নাযাওঁ। তুমি মন ঠিক ৰাখিবা। ঘটনাৰ সোঁত যেনিয়ে নবলক; তুমি তাৰ বাবে চিন্তা নকৰিবা।”

“মই প্রতিজ্ঞা কৰিছোঁ। যি কোনো অৱস্থাৰ সম্মুখীন হবলৈ মই সাজু।”

তুমি কালি আমাৰ গাওঁলৈ যাব লাগিব। মোৰ সহকর্মী কেইজনৰ লগত তোমাক চিনাকি কৰি দিম, তেওঁলোকে

তোমাক আনিবলৈ আগ্ৰহ কৰিব। তুমি জানা নহয় আমাৰ গাৱঁৰ "প্ৰগতি সংঘৰ কথা।"

"জানো"

"যোৱা বছৰ আমি এই সংঘৰ জৰীয়তে তিনিটা বুঢ়াৰ বিয়া বন্ধ কৰিছোঁ। এজনী ঘাট মাউৰী ছোৱালীক বিয়া দিছোঁ, কোনোৱা মইমন চিঙীয়াই টানি নিয়া হিন্দুৰ ছোৱালী এজনীক আমাৰ সমাজত ৰাখিছোঁ। তাইক লৈ বহুত বাদানুবাদ চলিছিল। শেষত আমাৰ কথা নৰলে আমাক গাৱঁৰপৰা বাহিৰ কৰি দিবলৈ প্ৰস্তাৱ দিলেঁ; তেতিয়া আমাৰ কথা ৰল। বেচেৰী ছোৱালীজনী ৰক্ষা পৰিল। এইবাৰ এতিয়ালৈকে এনেকাম আমাৰ হাতত পৰা নাই। তোমাৰ পিতাৰাই প্ৰথমতে পৰিল। দেখা যাওক কি হয়?"

"তোমালোকৰ লগত আমাৰ কামৰ তুলনাই নহয়। লৰা কেইজন ইমান উদাসীন যে তাকিলৈ মই একগোট খুৱাবই পৰা নাই! কাম কৰা দূৰৰ কথা।"

"হতাশ নহবা—মই পুনৰ কৈছোঁ। পাৰিবা।"

"ময়ো পাৰিম বুলি ভাবোঁ।"

* * * *

কথা শেষ কৰি দুয়ো ফুৰিবলৈ ওলাই যায়। ৰাতি পীতাম্বৰে বিছনাৰ ওপৰত পৰি ভাবে ভূমিধৰৰ কথাবিলাক সি গমি চায়. তাক অনুকৰণ কৰিবলৈ সি মন ডাঠ কৰে। যি কোনো অৱস্থাতে নিৰ্ভীক ভাবে কাম কৰি যাবলৈ সি

মনোবল সঞ্চয় কৰে। সি ভাবে পিতাকৰ যি কোনো কা·
কেই পুতেক বুলি সমৰ্থন কৰাৰ যুক্তি নাই। আগৰ বাৰ।
নিজেই পিতাকক বিয়া কৰাবলৈ কৈছিল—ঘৰুৱা পৰিস্থিতি।
মেৰ পাকত পৰি। তেতিয়া তাৰ পিতাকৰ স্বাস্থ্যও ভা
আছিল। এইবাৰ তাৰ পিতাকে বিয়া পাতিছে আনৰ প্ৰৰে
চনাত, এটা চখ্ হিচাবে। পিতাকৰ এই বিয়াৰ কোনো আৱশ্য·
নাই। গতিকে সি তাৰ বিৰোধিতা কৰিবই। সি ভাবে কোনো·
বাই ভুল কৰিলে আৰু সেই ভুল সমাজৰ চকুতো ভুল বুলি
পৰিগণিত হলে সি তাৰ বিৰোধিতা কৰিব; কিয়নো তাৰ চকুত
সমাজখন বিশাল। তাৰ পিতাক সমাজৰ তুলনাত ক্ষুদ্ৰাদপি
ক্ষুদ্ৰ। সেইবাবেই সমাজৰ মঙ্গলৰ কাৰণে সি পিতাকৰ পথত
বিধি-পথালি কৰিব। সি সংকল্প কৰে।

---

—আঠ—

দিগম্বৰ শৰ্মাৰ বিয়ালৈ আৰু সাত দিন আছে। বিয়াৰ যোগাৰ সকলো ঠিক। কীৰ্তিৰাম শৰ্মাৰ ফালে খৰছৰ বাবে নগদ চাৰিশ টকা দিয়া হৈছে। লাগিলে আৰু দিবলৈও প্ৰতিশ্ৰুতি দিয়া হৈছে। উভয় পক্ষৰে মনত আনন্দ। নহবই বা কিয়? দিগম্বৰ শৰ্মাই বিয়া কৰিব, কীৰ্তিৰামে বিয়া দিব। দিগম্বৰে ন ঘৈণী পাব, কীৰ্তিৰাম জঞ্জালৰপৰা মুক্ত হব। দিগম্বৰৰ আনন্দৰ মাত্ৰা অলপ বেচি। বাৰ বছৰীয়া দিপলিপ ছোৱালী এজনীক বিয়া কৰাই কুৰিবছৰীয়া চপল ডেকা হৈ

তেওঁ দাম্পত্য জীৱন আৰম্ভ কৰি স্বৰ্গ-সুখ মৰ্ত্যতে লাভ কৰিব। তাতকৈ সুখৰ কথা আৰু কিবা হব পাৰেনে? তেওঁ বহুত ভাবে। কেতিয়াবা ভাবে আজিকালিৰ ছোৱালী ‘আধুনিকা’ হৈ পৰিছে! সিহঁতক খোৱা-লোৱা, পিন্ধা-উৰাৰ উপৰিও কৃত্ৰিমতাৰ কাৰণে বহুতো উপকৰণৰ দৰ্কাৰ হৈ পৰিছে জানোচা তেওঁক বিপদত পেলায়? পিছমুহূৰ্তত তেওঁ তাৰ উত্তৰ পায়। দুখীয়াৰ ছোৱালী! মাকৰ ঘৰত খোৱা কেইটাই নাপায়; গতিকে তেওঁক জুলুম কৰিব নোৱাৰিব। তেওঁ আকৌ ভাবে তেওঁ যুৱতী ছোৱালী এজনী বিয়া কৰাই আনিলে ডেকা পুতেকে কি জানি মনে মনে দুখ কৰে। আজি-কালিৰ ডেকা চতুৰ। কিছুমান ডেকা আছে, সিহঁতৰ লগৰ কোনোবাই নতুন সংসাৰত প্ৰৱেশ কৰা দেখিলে সিহঁতৰ ৰাতি চকুত টোপনি নাহে; অলীক কল্পনা কৰি সিহঁত অধঃপাতে যায়। দিগম্বৰে তেওঁ শান্তি বিয়া কৰোৱাৰ পিছতে পীতাম্বৰকো বিয়া কৰাই নিৰ্বাচন স্থিৰ কৰে। নানা প্ৰশ্ন তেওঁৰ মনলৈ উঠে। তেওঁ নিজেই উত্তৰ বিচাৰি পায়। কেতিয়াবা নাপালে ‘বান্ধ’ ৰত্নমণিৰ লগত আলোচনা কৰে। ৰত্নশৰ্মায়ো কেতিয়াবা উত্তৰ দিব নোৱাৰিলে কোষ্ঠীখন চায়। দিগম্বৰৰ উজ্জ্বল ভৱিষ্যৎ এটা তেওঁৰ চকুত ধৰা পৰে।

বিয়ালৈ সাত দিন থাকোঁতে দিগম্বৰ শৰ্ম্মাই ৰত্নমণিৰ পৰামৰ্শ মতে বাৎসৰিক “সত্যনাৰায়ণ-পূজা” পাতিলে। কোনো ডাঙৰ কাম সাধিবলৈ যোৱাৰ আগতে ভগবানক এবাৰ ভাবিব

লাগে। ভগবান তুষ্ট নহৈ ৰুষ্ট হলে সকলো পণ্ড হৈ যায়। সেই বাবেই দিগম্বৰে লৰালৰিকৈ হলেও "সত্যনাৰায়ণ পূজা"টি পাতিলে। পূজাৰ শেষত নাম-প্ৰসঙ্গ হল। দিগম্বৰ শৰ্ম্মাই ভগবান আৰু ভকতৰ ওচৰত আঠু ললে। পুৰোহিত ৰূপে ৰত্নমণি শৰ্ম্মাই আশীষ বচন দিলে। ভকত সকলে সমস্বৰে হৰিধ্বনি কৰিলে। ৰত্নমণি শৰ্ম্মাই আশীষ বচন দিয়াৰ পিছত মাতিলে; "সত্যনাৰায়ণ বিঘিনি খণ্ডন

ভজোহো তযু চৰণ;" গতিকে মহাপ্ৰভু সত্য নাৰায়ণে দিগম্বৰৰ অভিলাষ পূৰণৰ বাটত থকা সকলো বিঘিনি খণ্ডন কৰিব। তেওঁৰ পথ সুগম কৰি মনোবাঞ্চা পূৰণ কৰিব। তেওঁ ঘৰত শান্তি বিৰাজ কৰাব। ভকতৰ তুষ্টি হলেই ভগবান তুষ্ট হয়। সেই বাবে তেওঁ আশাকৰে ভকত সকলেও তেওঁৰপ্ৰতি আশীষ বচন দিয়ক। সকলোকে "নাম-ধৰ্ম্মে" নেৰক।

নাম প্ৰসঙ্গ শেষ হোৱাৰ পিছত ভকত সকলে বিদায় ললে। বাটে বাটে কোৱাকুই কৰি গল,

"বটুদেউৰ বোলে বিয়া"

"আৰু সাত দিন আছে!"

"পুতেকে দেখোন বিয়া কৰিবৰ হৈছে। এতিয়া আৰু কিয় বিয়া পাতিলে।"?

"বামুণ মানুহ, ছোৱালীৰ আকাল নাই, টকা পইচা আছে; গতিকে বিয়া।"

"হলেও বুঢ়া বয়সত ভাল নকৰিলে।"

"আজি কালিৰ বুঢ়াৰ বল বেচি। বয়স যায় মানে ডেকা হৈ আহে।"

"এজনী আছে দেখোন!"

"থাকিলে হল নে? সিজনী সন্তুষ্ট কৰিব নোৱাৰে; গতিকে নতুন ডেকেৰী এজনীৰ দিহা! তায়ো যদি আনন্দ দিব নোৱাৰে তেনেহলে আৰু এজনী।"

"সেইজনী তিৰোতাই আপত্তি নকৰিলেনে?"

"আঃ! কোৱাকি? থৈ দিয়া তিৰী মানুহৰ আপত্তি! সিহঁতৰ আপত্তি কৰবাত ৰজেনে? তিৰীৰ মেল কলৰ ভেল। সিহঁতে মেল কৰিও একো কৰিব নোৱাৰে। কিবা ক'ৰলেও কলৰ ভেলৰদৰে ডুবিনীয়া। তিৰীজাতিৰ কিবা মূল্য আছেনে? পুৰুষৰ সুখেই সিহঁতৰো সুখ।"

"ভবিষ্যৎ ভাল নহব"

"কিয় নহব? বৃদ্ধস্য তৰুণী ভাৰ্য্যা স্বৰ্গাদপি গৰীয়সী। বটুদেউ স্বৰ্গতকৈ সুখ পাব! বাকীজনীৰ কথা কোনে ভাবে? সুখ হলেও হওক, নহলেও নহক। তিৰীৰ কথা ভাবি মূৰ ঘমাব লাগেনে?।

"সেই বিলাক আলোচনা কৰিলে আমাৰ কি লাভ হব? এসাজ খাই লব পাৰিলেই হ'ল। সিহঁতৰ সুখ-দুখৰ কথা আলোচনা কৰিলে আমাৰ পেট নভৰে। মনে মনে বলা।"

ইত্যাদি ধৰণে ভকত সকলে ওৰে বাটে আলোচনা কৰি গল।

সেইদিনা ৰাতিৰে কথা। ভীমপুৰৰ "প্ৰগতি সংঘৰ" গোপন অধিবেশন ব'হল। কীৰ্তিৰাম শৰ্ম্মাকো অধিবেশনলৈ মাতি নিয়া হল। বহুত আলোচনা হল। অধিবেশনত কিবা সিদ্ধান্তত উপনীত হল। কোনোৱে হলে তাৰ গম নাপালে। গাৱঁৰ মানুহে তেনে এখন অধিবেশন বহাৰ কথা কোনোৱে কবই নোৱাৰিলে। নিহওক "প্ৰগতি সংঘ"ই কীৰ্তিৰাম শৰ্ম্মাৰ জীয়েক দীপুৰ বিয়া সম্বন্ধে কিবা এটা সিদ্ধান্ত ললে। তাৰ বেচি কথা আমি এতিয়ালৈ একো নাজানোঁ।

—ন—

আজি মাঘৰ পোন্ধৰ তাৰিখ। দিগম্বৰ শৰ্মাৰ বিয়া। ঘৰত নৰ ধুমধাম। পুৱাৰপৰাই মানুহৰ সমাগম হৈছে। অহা আহিছে, যোৱা গৈছে। ঢুলীয়া, খুলীয়া আদিয়ে মাজে মাজে বাজনা বজাইছে। দিগম্বৰৰ গাত তৎ নাই। বৰ হলেও বিয়াৰ সকলো যোগাৰৰ ভাৰ তেওঁৰ ওপৰতেই। বিয়াৰ বৰ বুলি তেওঁ এঠাইতে খিতাপি লৈ থাকিব পৰা নাই। মানুহৰ খোৱা লোৱা সকলোতে তেওঁ চকু দিব লগাত পৰিছে। ৰত্নমণিৰ গাতো তৎ নাই। 'বান্ধ'ৰ বিয়া! ঘটক তেওঁ। বিয়া খন পাৰহৈ গলে তেওঁৰে নাম! এচৰ চুবুৰীয়াই হয়তো কোতয়াবা তেওঁৰ নাম দিগম্বৰৰ লগতে উল্লেখ কৰিব! আজিৰ যুগত বহুতে নামৰ কাৰণেই কাম কৰে। ৰত্নমণিৰো তেনে এটা ভাব মনলৈ আহে। তাৰোপৰি বিয়াত সহায় কৰা বাবে

পুৰস্কাৰ স্বৰূপে দিগম্বৰে তেওঁক ৫/ মোণ ধান, এযোৰা ধুতি-চাদৰ দিছে। তেনে স্থলত তেওঁ দিগম্বৰৰ বিয়াত নাথাকি থাকে কেনেকৈ ? বামৰ লোণ খাই তেওঁ ৰাৱনৰ গুণ গাব নোৱাৰে। তেনে কৰিলে তেওঁক ' ধৰ্ম্মে ঠাই নি'দব'। সেইবাবেই আজি ৰত্নমণিৰ এবাৰ কথা কদবো সময় নাই। যি হওক তেওঁৰ সহায়তে বিয়াৰ দিনৰ ভাগটো সুকলমে হৈ গল। ওচৰ চুবুৰীয়াই বিয়া বুলি দিগম্বৰৰ ঘৰত এসাজ খাবলৈ পালে। ঘৰৰ ভিতৰৰ কথা অনিমাৰ গাতো তৎ নাই! তাঁয়ো গিৰী-য়েকৰ বিয়াত দেহে কেহে থাকিছে। নাথাকিলেও উপায় নাই! বিয়াৰ কাৰণেই ভাইৰ ইচ্ছামতে মাটি-বাৰী লিখি দিছে। তাই হলে আজি দুখ কৰা নাই। বিয়াৰ কামকে মনপুতি কৰিছে।

আবেলি আমন্ত্ৰিত কেইজনমান লোকে খোৱা লোৱাৰ পিছত আলচ কৰিলে,

"পীতাম্বৰক দেখা নাই দেখোন।"

"সি আজি এমাহ ধৰি ঘৰলৈ অহা নাই।"

"নাহিবতো! লাজ লগা কথা এটাতে আছে। বাপেকৰ বিয়াত পুতেক থাকে কেনেকৈ ? সি কলেজীয়া ডেকা! বাপেকৰ বিয়া খাবলৈ অহা গম পালে লগৰ ছাত্ৰই তাক ঠাট্টা নকৰিবনে ?"

"সি নাহি ভালেই কৰিছে। বাপেকে কথাটো ভাল নকৰিলে। তাকেই বিয়া কৰাই দিব লাগিছিল।"

"হবলগা হৈ যাব। আলোচনা কৰি কি লাভ ?"

কীৰ্তিৰাম শৰ্মাৰ ঘৰত বিয়াৰ সিমান ধামধুম নাই। অনাড়ম্বৰ ভাবে বিয়াৰ কাম চলিছে। কেইজনমান ডেকাই তেওঁক সহায় কৰিছে। দীপু বিয়াৰ কন্যা। তায়ো দুখ কৰা নাই। কন্যাৰ মাকৰ মুখতো বিষাদৰ চিন নাই। নিজৰ পেটৰ ছোৱালী এজনীক ঘৰৰপৰা মৰমৰ বান্ধ চিঙি অচিন এজনৰ হাতত সোধাই দিব! সেই মানুহ জনেই হব তাইৰ সুখ-দুখৰ গৰাকী, তাইৰ ভাগ্য বিধাতা। তথাপি তাইৰ মাকে এটুপি চকু-পানী মচা নাই; বৰং হাঁহিমুখে বিয়াৰ কাম কৰিছে। ছোৱালীহঁতে এনেথন দেখি আচৰিত হয়। সিহঁতে একো বুজিব নোৱাৰে। গাৱঁলীয়া ছোৱালীৰ বেচি ভাগেই বিয়াৰ দিনা এবাৰ নহয় এবাৰ কান্দিবই; না কান্দিলেও চকুৰ পানীৰ ঢল আহিবই। দীপুই নকন্দা দেখি ছোৱালীহঁতে মেল পাতে:—

"দীপুৰ আজি বিয়া। তাইক আজি মাক বাপেকে ধৰ্মডোল চিঙি দিব; আজিৰপৰা তাই পৰৰ হব। তথাপি তাই দেখোন এটুপি চকু-লো টোকা নাই; কি লাজ নোহোৱা ছোৱালী

"আমি হলে ৰব নোৱাৰিলোহেঁতেন। মাইক এৰি যোৱা কথা আমি ভাবিবই নোৱাৰো।"

"দীপুজনী! তাই কেনেকৈ নকন্দাকৈ আছে কব নোৱাৰোঁ।"

"কান্দিবনো কি? তাই বিয়াৰ কথা ভালকৈ বুজাই নাই। মাক-বাপেকে তাইক বিয়া দিলেও আৰু দুই তিনি বছৰ ঘৰত থাকিব পাৰিব। কান্দিব কিয়?"

"ৰৰটো বোলে বুঢ়া; পুতেকে বোলে কলেজত পঢ়ে। ৰৰৰ দাড়ি চুলি পকিছে বোলে।"

"মনে মনে থাক। শুনিলে তাই দুখ কৰিব! মাক বাপে-কেই বা কি বুলিব!"

"সঁচা কথা তাতনো লাজ কি? ৰাতি নেদেখিবিনে ৰূপটো!"

"তেতিয়া কবি। এতিয়া মনে মনে থাক।"

ছোৱালীহঁতৰ মাজত আলোচনা চলি থাকে। সিহঁত দীপুৰ ওচৰলৈ যায়। অলঙ্কাৰ, পোছাক চায়। সমালোচনা কৰে। হাহেঁ। দুই একাকি বিয়া নাম তামাচা কৰি তাইক শুনায়। তাই নামাতে।

ৰাতি! প্ৰায় বাৰটা বাজিছে। কন্যাপক্ষই বৰ ব্যগ্ৰ হৈ ৰৰক অপেক্ষা কৰিছে। কেইজনমান ডেকাই মানুহৰ বহা আসন বিলাক ঠিক কৰি দিছে। সকলো মানুহ যাতে ঠিক ঠাইত ৰহিব পাৰে তাৰ বাবে তেওঁলোক তৎপৰ হৈছে। ছোৱালীহঁতে ব্যগ্ৰ হৈ ৰৰক অপেক্ষা কৰি আছে। এনেতে অলপ দূৰত ঢোলৰ কোৰ শুনা গল। কন্যাপক্ষৰ ঢুলীয়াইয়ো ঢোল বজালে। চাওঁতে চাওঁতে দৰা দিগম্বৰ শৰ্মাই প্ৰায এশমান বৰ যাত্ৰীৰে সৈতে কীৰ্তি শৰ্মাৰ পদূলি মুখত ৰলহি। আয়তীসকলে উৰুলি জোকাৰ দিলে। ছোৱালী, আয়তী, বুঢ়ী সকলো মিলি বিয়ানাম গাব ধৰিলে। ঢোল, খোল, ৰাঁহী, তাল আদিৰ শব্দত গোটেই বিয়া-মণ্ডপ খলক লাগি পৰিল। ইয়াৰ মাজতেই কীৰ্তিশৰ্মাই দিগম্বৰক বৰণ কৰি নি

বিয়া-মণ্ডপত বহালে। বৰ আৰু কন্যা পক্ষৰ লোকসকল বথা স্থানত বহিল। ৰত্নমণি শৰ্মা বৰৰ নিচেই ওচৰতে। সকলোৰে চকু বৰৰ ওপৰত। বৰ চাওঁতে ছোৱালীহঁতে বিয়া নাম গাবলৈ পাহৰি গল। বুঢ়ী কেইজনীমানে ভঙা ভঙা মাতেৰে দুই এফাকি গীত ধৰি দন্তবটো কোনোমতে ৰক্ষা কৰিলে। ছোৱালীহঁতৰ মাজত আলোচনা চলিল ;

"বৰটো কেনে ? ধুনীয়া দীপ্তৰ কাৰণে বৰ বিচাৰি নাপালেনে"।

"ধনী ; মানুহ সেই বাবে দিছে। সুখত খাব পাৰিব।"

"সেই সুখে সুখ নহয়। ধনৰ সুখ দুদিনীয়া। মনৰ সুখেহে আচল সুখ।"

"বিধাতাৰ জোৰা। কোনে খণ্ডাব ? আজিৰ ফন্দি ছোৱালীয়ে বৰ নাপায়।"

"বৰটোৱে ধুতিখন পিন্ধিবও নাজানে ? চাদৰখন কেনেকৈ লৈছে ?"

"আগৰ দিনৰ মানুহ ! স্কুল কলেজীয়া ডেকা হলেহে ইফালে সিফালে চাই ভালকৈ পিন্ধিলেহেঁতেন !"

* * * *

কন্যা উলিয়াবৰ সময় হল। ঢুলীয়াই ঢোল বজালে। ছোৱালী আৰু আয়তীসকলে উৰুলি ধ্বনি কৰিলে। কন্যা উলিয়াই অনা হল। সকলোৰে চকু কন্যাৰ ওপৰত। কন্যা-পক্ষৰ ডেকা সকলৰ মাজত তৎপৰতা দেখা গৈছে। কন্যা বৰৰ নিচেই ওচৰতে। দিগম্বৰ শৰ্মাৰ সেই

সময়ত কেনে ভাব হৈছিল তেওঁহে জানে। চকুৰ পচাৰতে কন্যাই ওৰণি দলিয়াই পেলালে। তাই দিগম্বৰ শৰ্মাৰ ভৰিত ধৰি সেৱা কৰি কপাঁ মাতেৰে কব ধৰিলে.

"আপুনি মোৰ ধৰ্মপিতা। আজিৰপৰা মই আপোনাৰ ধৰ্ম্ম কন্যা, আপোনাৰ জী! এতিয়া আপুনি মোক বিয়া কৰাই আপোনাৰ ঘৈণী কৰিবনে? কওক। কি কৰিব! কওক! মোক বিয়া কৰালেও মই আপোনাক পিতা বুলি মাতিম।" কন্যা পক্ষৰ ডেকাসকলে হাত চাপৰি দিলে। দিগম্বৰ শৰ্মা চৰগপৰা মানুহৰদৰে হল। কীৰ্ত্তিশৰ্মাই ভেবা লাগি চাই থাকিল। মানুহবিলাকৰ মাজত হৈ চৈ লাগি পৰিল। সকলোৱে 'কি হল, কি হল' সুধালে। তেওঁলোক বহাৰপৰা উঠিল। ডেকাসকলে সকলোকে বহাই দিলে। সকলো ব্যগ্ৰ হৈ পৰিল। কন্যাই পুনৰ কলে,

"কওক আপুনি কি কৰিব! মই কৈছোঁ মই আপোনাৰ জী, আপুনি মোৰ ধৰ্ম পিতা। কওক এতিয়া, আপুনি কি কৰিব! কওক।" তাই পুনৰ সেৱা কৰে। দিগম্বৰ নিমাত। মুখৰপৰা এটা হুমুনিয়াহ ওলাই গল। স্তব্ধ হৈ বহি পৰিল। মূৰে কপালে হাত দিলে। তেওঁৰ পক্ষৰ মানুহবিলাকৰ মাজত আলোচনা চলিল। সমস্যা সমাধান কৰিবপৰা মানুহ নোলাল। ডেকা সকলে যাতে কোনো গোলমাল হব নোৱাৰে তাৰ বাবে যত্ন ললে। বিয়া-মণ্ডপ নিজম পৰি গল। ক্ষন্তেক পিছতে ৰত্নমণি শৰ্মাই কীৰ্ত্তিশৰ্ম্মাক কলে,

"শৰ্ম্মা! কি কথা হৈ পৰিল। আপুনি কি কৰে এতিয়া! আমাক মাতি আনি আপুনি এইখন কৰিলে কিয়? কিবা লাগে যদি কওক! এতিয়াও দিওঁ। কেইশ টকা লাগিব?"

"টকাৰ কথা নকব! মই টকা খোজা নাই! মই ছোৱালী বিয়া দিওঁ বুলিছোঁ। তাই এনে কৰিব বুলি মই সপোনতো ভাবা নাছিলোঁ। মই এতিয়াই বিয়া দিম। আপোনালোক বহক, মই বিয়া দিম। আই দীপু! তই আপত্তি নকৰিবি। মোক অপমান নকৰিবি। এবিদে তোৰ কথা!! আই দীপু! মোৰ আই দীপু!" কীৰ্ত্তিশৰ্ম্মাই দীপুক টানি বহুৱাই ওৰ-ণিখন মূৰত দিয়ে। দীপুৱে ওৰণি পেলায় কয়,

"তুমি বিয়া পিছতো দিবা! তেখেতে মোৰ কথাৰ উত্তৰ দিয়ক। উত্তৰ নাপালে মোক বিয়া দিব নোৱাৰিবা।' দিগ-ম্বৰক লক্ষ্য কৰি তাই আকৌ কয়,—

'কওক কি কৰিব! মই আপোনাৰ জী, আপুনি মোৰ পিতা কওক কি কৰিব।" চকু-পানীৰে তাইৰ গাল তিতি যায়।

"আপুনিয়ে কওক এতিয়া, মই কি কৰোঁ! আপুনি কওক" কীৰ্ত্তিশৰ্ম্মাই নৰম সুৰত দিগম্বৰক কয়। দিগম্বৰে তলমুৱাকৈ ভাবে। ৰত্নমণি ব্যগ্ৰ হৈ তেওঁলৈ চায়। দিগম্বৰে কয়,

"আপুনি কাৰচাজি কৰি এনে কৰিছে! আপোনাৰ বাৰ বছৰীয়া ছোৱালী এজনীয়ে এনেকৈ কবলৈ নোৱাৰে; তাই কবলৈ সাহ কৰিব নোৱাৰে। তাইৰ মাথাই এনে কথা ঢুকি নাপায়! আপুনি মাতি আনি মোক এনেদৰে অপমান কৰিব

কিয় ? মোৰ টকা চাৰিশ গ্ৰহণ কৰি মোক সৰ্ব্বনাশ কৰিলে কিয় ? সকলো আপোনাৰ কাম ! মোৰ টকা ঘূৰাই দিয়ক, এতিয়াই দিয়ক ! নহলে মই আপোনাৰ ওপৰত মোকৰ্দমা কৰিম। মোৰ টকা দি আপুনি ছোৱালী যি কৰে তাকে কৰক মই আপোনাৰ ছোৱালী বিয়া নকৰোঁ। ”

“বিয়া দিও বুলিয়েই মই টকা খৰচ কৰিলোঁ। এতিয়া টকা ক'ৰপৰা দিও। মই ছোৱালী বিয়া দিম। এশবাৰ কৈছোঁ। আপুনি বিয়া কৰাওক ! ”

“আপুনি শিকাই নিদিলে ছোৱালীয়ে এনেদৰে কব নোৱাৰে। মোক মধ্যস্থতাকাৰী পাতি অপমান কৰিলে কিয় ?” ৰত্নশৰ্ম্মাই ৰাগ কৰি কয় !

“মোক নধৰিব। মই একো কৰা নাই। পুৰুষৰ জবান এক ! মই বিয়া দিম জোৰ কৰি হলেও দিম বিয়া কৰাওক। নকৰিলে মই কি কম ? মোক গিয়েই নকৰক। ” দিগম্বৰ শৰ্ম্মাই কি কৰিব ভাবি নাপায়। ৰত্নমণিয়ে কয়,

“কি কৰিবা এতিয়া। অপমান মূৰপাতি লৈ ফিৰি যাবা নেকি ? বিয়া কৰোৱা, যি হয় হব ! ” দিগম্বৰে ভাবে হঠাতে নহাৰপৰা উঠি তেওঁৰ পক্ষৰ মানুহ বিলাকক কয়,

“উঠা ! উঠা ! বিয়া নকৰোঁ। ”

সকলো উঠে। দিগম্বৰে কৈ যায় ,

“শৰ্ম্মা আহিলোঁ। মনত ৰাখিব—এই অপমান মই ভুলি নাযাম। ” বৰ পক্ষৰ সকলোৰে বিয়াঘৰ ত্যাগ কৰি গুচি যায়।

কন্যাপক্ষৰ ডেকা কেইজনমানে যত্ন কৰিও তেওঁলোকক ৰাখিব নোৱাৰিলে। বিয়াৰ মানুহে ঘটনাৰ আঁতি গুৰি একো নুবুজিলে। কন্যাপক্ষৰ মানুহ বিলাকক ডেকা সকলে বহুৱাই ৰাখিলে। দিগম্বৰ শৰ্ম্মা ঘৰ পালেগৈ। লাজ আৰু অপমানত তেওঁৰ অন্তৰ কলা পৰি গল। কি কৰিব ভাবি নাপালে। ৰত্ন শৰ্ম্মাই কন্যা বিচাৰি পুনৰ বিয়া কৰাই দিয়াৰ ভাৰ ললে। নানা চিন্তা–ভাবনাৰে ৰাতিটো কটালে। অনিমাই মনে মনে হাঁহিলে। ৰাতি পুৱালত গাৱঁৰ মানুহৰ মাজত ঘৰে ঘৰে ভাৱেই মেল হব ধৰিলে :—

"আমি এনে ঘটনা কাহানিও শুনা নাছিলোঁ। এতিয়া নিজ চকুৰে দেখিলোঁ।"

"কন্যাই বৰক পিতা বুলিলে। তাতকৈও আচৰিত কিবা আছেনে ?"

"বৰেও কন্যাক মাই বুলিব লাগিছিল। তেতিয়া আৰু আচৰিত হলহেতেন।"

"আচৰিত একো হোৱা নাই। দুকুৰি পোন্ধৰ বছৰীয়া বৰে মাত্র বাৰ বছৰীয়া ছোৱালী এজনী বিয়া কৰোৱা ঘটনা আচৰিত নহয় জানো ? কুৰি বছৰীয়া বিধবা এজনী বিয়া নকৰিলে কিয় ?"

"হলেও বিয়া দিওঁ বুলি মাতি নি অপমান কৰিব কিয় ? কন্যাৰ বাপেকক এনেকা দিব লাগিছিল।"

"বাপেকে কি কৰিব ? অন্য কোনোবায়ো ছোৱালীক

শিকাই দিব পাৰে। বাপেকেতো জোৰ কৰি হলেও বিয়া দিব বুলি কৈছিল। বৰে কেনেকৈ বিয়া কৰায়? "বাপদায়" দিয়া ছোৱালীক বিয়া কৰিব পাৰিনে?"

"তথাপি বিয়া কৰিব লাগিছিল। তেনে ছোৱালীক বিধৰ্মীত বেচিব লাগে। পাওক মজা পালি।"

"ছোৱালীৰ গাত দোষ কি? তাই বিয়াৰ কথাই ভালকৈ বুজি উঠা নাই। তাই নিজে তেনে কথা কব পাৰেনে? পিছত কোনোবা ভাল মানুহ আছে। পিছত প্ৰকাশ হব।"

"আমি হলে বেয়া পোৱা নাই। দুখীয়াক ঠগোৱা ধনৰ সৎব্যৱহাৰ হৈছে। কিছুমানে সেই সুযোগতে এসাজ খাই ললে। অপমান পোৱাই আমি বেয়া পোৱা নাই। এই বিলাকেই আমাৰ সমাজৰ গুৰি ধৰে আৰু সমাজখন চলায়। এতিয়া সজাগ হওক।" এনে আলোচনা মানুহবিলাকৰ মুখে মুখে।

* * * *

দিগম্বৰ শৰ্মা সদলে ফিৰি অহাৰ পিছত দীপুৰ বিয়া হৈ গল—এজন সুশ্ৰী শিক্ষিত ডেকাৰ লগত। কীৰ্তিৰাম শৰ্মা উদ্ধাৰ হল। গাৱঁৰ মানুহে বুজিলে যে ই "প্ৰগতি-সংঘ'ৰে কাম। সকলোৱে দৰা-কন্যাক আশীৰ্বাদ দিয়াৰ লগতে "প্ৰগতি সংঘ'কো আশীৰ্ব্বাদ দিলে; লগতে সেই সংঘৰ দীৰ্ঘ জীৱন কামনা কৰিলে। ডেকা দৰাজনৰ কথা কীৰ্তিৰাম, দীপু আৰু তাইৰ মাকৰ বাহিৰে আন কোনেও নাজানিলে। গাৱঁৰ

মানুহে চেষ্টা কৰিও ডেকাজনৰ পৰিচয় "প্ৰগতি-সংঘ"ৰ কোনো সভ্যৰ মুখৰপৰা সিদিনালৈ উলিয়াব নোৱাৰিলে। যি হওক ৰাতিৰ ভিতৰতে ডেকাজনৰ লগতে দীপুৰ বিয়া হৈ গল। কন্যাৰ মাকে ৰূপবান আৰু শিক্ষিত জোৱাঁয়েক পাই ভগবানক সহস্ৰবাৰ প্ৰণাম কৰিলে। ভগবানৰ অনুগ্ৰহ নহলে ঘটনা এনে হবলৈ নাপালেহেঁতেন! বিয়া মণ্ডপত উপস্থিত থকা বুঢ়া মেঠাই কোৱা-কুই কৰিলে;

"বিধাতাৰ জোৰা খণ্ডন নাযায়। যাৰ য'ত জোৰা বন্ধা আছে তাক খণ্ডাব কোনে? কোনেও বিয়া কৰাওঁ বুলি বা দিওঁ বুলি খাটাংকৈ কব নোৱাৰে।" খুটাৰ ওপৰত উঠি শেন চকুৰে বিয়াৰ গতি-গোত্ৰ লক্ষ্য কৰি থকা জেঠীটোৱেও যেন তেওঁলোকৰ কথাতে হয়ভৰ দি কলে, 'ঠিক! ঠিক!! ঠিক!!!'

---

—দহ—

পিছদিনা ৰাতিপুৱা। দিগম্বৰ আৰু ৰত্নমণিয়ে পুনৰ আলোচনা কৰি বিয়া কৰোৱা সিদ্ধান্ত বাহাল ৰাখিলে। নাৰাখিলেও উপায় নাই। সমাজত নাক উলিয়াব কেনেকৈ? বিয়াৰ লগতে তেওঁলোকে অপমানৰ পোটক তুলিবলৈ কীৰ্তি শৰ্মাৰ ওপৰত মোকৰ্দ্দমা ৰুজু কৰিবলৈও সিদ্ধান্ত ললে। অপমান উভয়ে পালে। দিগম্বৰ বৰ, দীপু কন্যা, কীৰ্তিশৰ্মা দাতা, ঘটক ৰত্নমণি। ইয়াৰ ভিতৰত মাজৰ দুইজনে ৰাকী

দুজনক বিশ্বাস ঘাটকতা কৰিলে, ঠগালে, অপমান কৰিলে। গতিকে প্ৰতিশোধ অপৰিহাৰ্য্য। ৰত্নমণিৰ মনটো মাজতে দুৰ্ব্বল হব খোজে। তেওঁ ভাবে আজি কালিৰ মানুহ; একো ঠিক নাই; যদি তেৱেঁই কাৰচাজি কৰা বুলি দিগম্বৰে ভাবে! বন্ধুৰ ভাও জুৰিও আজিৰ যুগত বহুতে বহুতক ঠগে; ই কলি যুগৰ ধৰ্ম্ম। পিছমুহূৰ্ত্তত তেওঁৰ দুৰ্ব্বলতা আঁতৰি যায়। তেওঁ দিগম্বৰক নানা কথা বুজায়। দিগম্বৰৰ মনত দুখ, শত্ৰুবিলাকে তেওঁক হাঁহিব, সিহঁতে লাই পাই যাব। যজমান বিলাকেও অলপ হেয় ভাবে চাব। ঘৈণীয়েক অনিমায়ো বল পাব; ভাইৰো ভক্তি কমিব! পুতেকে লাজতে নাক উলিয়াব নোৱাৰিব! এইবিলাক চিন্তা ভাবনা দিগম্বৰৰ মনলৈ আহিল।

দুয়ো আলোচনা কৰি থাকোঁতে দূৰৰপৰা অহা বেণ্ড পাৰ্টিৰ বাজনা তেওঁলোকৰ কাণত পৰিল। লাহে লাহে বাজনা ডাঙৰ কৈ শুনা গল। "জয় প্ৰজাপতিৰ জয়" ধ্বনি কাণত পৰিল। একো বুজিব নোৱাৰিলে। গাৱঁৰ মানুহবিলাক নিজৰ নিজৰ পদুলিমুখত থিয় দিলেহি। প্ৰত্যেকৰ মনত উদ্বিগ্নতা। ঘটনা কি? লাহে লাহে শোভা যাত্ৰা এটা গাৱঁত সোমাল। শোভা যাত্ৰাৰ আগত এজোৰা বৰ-কন্যা। পিছত এশমান মানুহ; ছাত্ৰৰ সংখ্যাই বেচি। গোটেই পিছত বেণ্ডপাৰ্টি এজোৰা। গাৱঁৰ মানুহে একো বুজিব নোৱাৰিলে। তেওঁলোকেও শোভা-যাত্ৰাৰ পিছ ললে। শোভা-যাত্ৰা দিগ-

ম্বৰ শৰ্মাৰ পদূলিমুখত ৰল। বেণ্ডপাৰ্টিৰ বাজনা বাজি থাকিল। দিগম্বৰ আৰু ৰত্নমণি ওলাই নাহি নোৱাৰিলে। দুয়ো ঘটনা দেখি অবাক্ হৈ পৰিল। দিগম্বৰে সপোন নে দিঠক প্ৰথমতে বুজিব নোৱাৰিলে। একেথৰে চাই থাকিল শোভা-যাত্ৰাৰ পিনে। পীতাম্বৰ ওলাই আহি পিতাকৰ ওচৰত আঠুলৈ কলে,

"পিতা তোমাক কৰা অপমান মই সহ্য কৰিব নোৱাৰিলোঁ। তাৰ মই পোটক তুলিলোঁ। তুমি আদেশ দিলে আমি ঘৰৰ ভিতৰ সোমাব পাৰোঁ। সকলো কথা পিছত কম।" দিগম্বৰে পীতাম্বৰৰ প্ৰশান্তমূৰ্তি দেখি ভেবা লাগি তাৰ পিনে চাই থাকিল। ক্ষন্তেক পিছতে পীতাম্বৰক সাবটমাৰি ধৰিলে। অপত্য স্নেহত তেওঁৰ হিয়া পমি গল। দুগালে দুধাৰা চকু-লো ওলাই গল। দীপ্তুয়ো দিগম্বৰৰ ভৰিত ধৰি সেৱা কৰি কলে,

"আপুনি সঁচাকৈ মোৰ পিতা। আজিৰপৰা মই আপোনাৰ জী! জী হিচাপে মই আপোনাক সেৱা কৰিম। আশাকৰোঁ আপুনি মোক সেৱাৰপৰা বঞ্চিত নকৰিব।" লাজ আৰু ভয়ত তাইৰ মুখ ৰঙাপৰি উঠিল। ব্যগ্ৰভাবে তাই চাই থাকিল।

দিগম্বৰৰ মনৰ পৰিবৰ্ত্তন হৈ গল। কিবা এটা অজানিত আনন্দ তেওঁৰ মনৰ মাজত উদ্ৰেক হল! গোটেই শোভ-যাত্ৰাকাৰী সকলক ঘৰৰ ভিতৰলৈ মাতি নিলে।

সকলো বহিল। পীতাম্বৰ আৰু দীপুই আঠু ললে। সকলোৱে আশীৰ্ব্বাদ দিলে। ঘৰ সোমাই অনিমাক সেৱা জনালে। তাইৰো মনত আশাৰ সঞ্চাৰ হল। বৰ--কন্যাক আশীৰ্ব্বাদ দিলে। পীতাম্বৰ ওলাই আহিল। দিগম্বৰৰ মুখত হাঁহি বিৰিঙি উঠিল। এচুকত বহি গতি গোত্ৰ লক্ষ্য কৰি থকা ৰত্নমণি শৰ্ম্মাই এটা হুমুনিয়াহ কাঢ়িলে। তেওঁৰ মুখৰপৰা আপোনা আপুনি ওলাই গল ;

"উল্টা বুজিলি ৰাম।"

—সমাপ্ত—

A 529
2/4/53

A 528
2/4/53

শ্ৰীধৰ্মদাস চৌধাৰীৰ খনচেৰেক কিতাপ—

১। অনুতাপ ( উপন্যাস ) —— ৸০
২। বাপুজীৰ ধৰ্মবাণী —— ।৵০
(২য় প্ৰকাশ)
৩। চৰ্দাৰ পেটেল ( জীৱনী ) —— ।৶০
৪। উল্টা বুজিলি ৰাম ( গল্প উপন্যাস ) — ৸০
পিছত ওলাব ——
৫। ভাৰতী ( সামাজিক উপন্যাস )

## পোৱাৰ ঠাই —

১। নলবাৰী প্ৰতিষ্ঠান।
২। প্ৰকাশক

নলবাৰীৰ পৰা ওলোৱা তিনি মহীয়া আলোচনী 'জেউতি'ৰ ৩য় সংখ্যা অহা দূৰ্গা পূজাৰ লগে লগে জাকজমক কৈ উলিয়াবৰ দিহা কৰা হৈছে। আগ ধৰি গ্ৰাহক হৈ লওক। সবিশেষ জানিবলৈ তলে উলৰ ঠিকনাত খবৰ কৰক।

পৰিচালক 'জেউতি"
নলবাৰী

—×—